সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ০৬ সংখ্যা, ২৬ মাঘ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 06 Date Of Publication -9 February 2025 Rs.10.00/-

## আপক উৎখাত কৰি দিল্লী দখল বিজেপিৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গেৰুৱা হ'ল ৰাজধানী দিল্লী। দেশবাসীৰ দৃষ্টি নিবদ্ধ দিল্লী বিধানসভা নিৰ্বাচনত শাসকীয় আপক উৎখাত কৰিলে বিজেপিয়ে। ২৭ বছৰৰ অন্তত দিল্লীত চৰকাৰ গঠন কৰিবলৈ সাজু হৈছে ভাৰতীয় জনতা পাৰ্টী। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৭০খন বিধানসভা আসনৰ ৪৮খন আসনে দখল কৰিছে বিজেপিয়ে। ইয়াৰ বিপৰীতে ২২ খন আসনেৰে থমকি ৰ'ল আম আদমী পাৰ্টী। আনহাতে দিল্লীত শূণ্য ফলাফলেৰে হেট্ৰিক কৰে কংগ্ৰেছে। ২০১৫ আৰু ২০২০ চনত অভাৱনীয় প্ৰদৰ্শন আগবঢ়োৱা শাসকীয় আপক শোচনীয়ভাবে পৰাভূত কৰি বিজেপিয়ে ঐতিহাসিক বিজয় সাব্যস্ত কৰে। ২০২৫ চনৰ বিধানসভা নিৰ্বাচনত আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালকে ধৰি কেইবাজনো নেতা ৰণত ধৰাশায়ী হোৱাৰ সমান্তৰালকৈ কংগ্ৰেছ আৰু বিজেপিৰো ৰথী-মহাৰথী পৰাজিত হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৪৮খন আসন লাভ কৰা বিজেপিয়ে ৪৫.৮৭ শতাংশ ভোট লাভৰ বিপৰীতে আপে ৪৩.৫৬ শতাংশ, কংগ্ৰেছে ৬.৩৭ শতাংশ ভোট লাভ কৰে। ঘোষিত ফলাফলত নতুন দিল্লী বিধানসভা সমষ্টিৰ পৰা একেৰাহে তিনিবাৰ বিজয়ী হোৱা আপৰ মুৰব্বী তথা



দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল বিজেপিৰ প্ৰাৰ্থী পাৰভেছ সিং বাৰ্মাৰ হাতত পৰাজিত হয়। ঠিক তেনেদৰে আপৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ'ডিয়াও বিজেপি প্ৰাৰ্থীৰ হাতত পৰাজিত হয়। আপৰ প্ৰাক্তন স্বাস্থ্যমন্ত্ৰী তথা জ্যেষ্ঠ নেতা সত্যেন্দ্ৰ জৈন আৰু আপৰ মন্ত্ৰী সৌৰভ ভৰদ্বাজো এই

( নপৃষ্ঠাত চাওক)

## দিল্লীবাসীয়ে আমাক হৃদয় উজাৰি আশীৰ্বাদ কৰিছেঃ প্ৰধানমন্ত্ৰী





ৰঙিলী বাৰ্ত্তাসেৱা- শাসকীয় আপক উৎখাত কৰি সুদীৰ্ঘ ২৭ বছৰৰ পিছত দিল্লীৰ মচনদ দখল কৰিলে বিজেপিয়ে। বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ লগে লগে গেৰুৱা হৈ উঠিল দিল্লীৰ ৰাজপথ। বিজয়ৰ আনন্দ উৎসৱত ৰঙীন হ'ল নতুন দিল্লীস্থিত বিজেপিৰ মুখ্য কাৰ্যালয়। দলীয় নেতা-কৰ্মীয়ে পুষ্পাঞ্জলি ৰঙৰ ফাকু খেলি আনন্দ উৎসৱৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য কাৰ্যালয়ত উপস্থিত হয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

( নপৃষ্ঠাত চাওক)

## দ্বীপেন বৰুৱাক জীৱনজোৰা সাধনা বঁটা



ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰ-পূৰ্বাঞ্চলৰ জনপ্ৰিয় বৈদ্যুতিন সংবাদ মাধ্যম নিউজ লাইভ'ৰ ১৭ বছৰীয়া গৌৰৱোজ্জ্বল বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি মহানগৰীৰ ৰেডিছন ব্লু হোটেলত আয়োজিত প্ৰাইড ইষ্ট কনক্লেভ ২০২৫ত মুখ্য অতিথি হিচাপে অংশ লৈ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসমীয়া সাংগীতিক ক্ষেত্ৰখনৰ বিশিষ্ট শিল্পী দ্বীপেন বৰুৱাক জীৱনজোৰা সাধনা বঁটা আৰু বিশিষ্ট সাহিত্যিক-সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীলৈ ২০২৪ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ অসমীয়া বঁটা প্ৰদান কৰে। বঁটা প্ৰদানৰ অন্তত নিজ ভাষণত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই গৌৰৱোজ্জ্বল এই যাত্ৰাৰ বাবে প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ চিএমডি ৰিণিকি ভূএগ শৰ্মাক উচ্চ প্ৰশংসা কৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কয় যে উৎসৰ্গিত সাংবাদিকতাৰ ১৭ বছৰীয়া যাত্ৰা যথেষ্ট প্ৰত্যাহ্বানযুক্ত হোৱাৰ পাছত চিএমডি ৰিণিকি ভূএগ শৰ্মাৰ নেতৃত্বত প্ৰাইড ইষ্ট গ্ৰুপে সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। অসমৰ উন্নয়ন আৰু পৰিৱৰ্তনৰ লগতে জনসাধাৰণৰ জীৱনলৈ ধনাত্মক দিশ আহিব পৰা ইছ্যুসমূহক সুন্দৰৰূপে প্ৰতিফলিত কৰিছে নিউজ লাইভে। প্ৰতিষ্ঠাৰ সময়ৰে পৰাই প্ৰাইড ইষ্ট গ্ৰুপে অসমৰ

( দুই পৃষ্ঠাত চাওক)

## ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত দিল্লী জয়ৰ আনন্দ-উল্লাস

ৰঙিলী বাৰ্ত্তাসেৱা- আম আদমী পাৰ্টীৰ দুৰ্গ তচনচ কৰি দিল্লীত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ পাছতে ৰাজ্যিক বিজেপিৰ বশিষ্ঠস্থিত মুখ্য কাৰ্যালয়ত দেখা গ'ল বিজয় উল্লাস। আতচবাজী ফুটাই আনন্দ-উল্লাহেৰে বিজয়ৰ সোৱাদ ল'লে নেতা-কৰ্মীসকলে। ইজনে সিজনক মিঠাই খুৱাই উদযাপন কৰিলে বিজয়। গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিয়ে

( নপৃষ্ঠাত চাওক)



# দ্বীপেন বৰুৱাক জীৱনজোৰা

ঔদ্যোগিক আৰু মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰি ৰাজ্যপালগৰাকীয়ে সংবাদ গোষ্ঠীটোৰে ৰাজ্যৰ বিভিন্ন সামাজিক দিশ তথা সাক্ষৰতাৰ দিশৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বাবে উচ্চ প্ৰশংসা কৰে। প্ৰাইড ইষ্ট গ্ৰুপে নিজৰ বিভিন্ন চেনেল তথা প্ৰকাশনৰ জৰিয়তে অসমৰ সাংবাদিকতাক এক নতুন শক্তি প্ৰদান কৰাৰ লগতে এটা সুস্থ সামাজিক বাতাৱৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি দক্ষিণ-পূব এছিয়াৰ সৈতে সংলগ্ন হৈ থকা অসম এটা বৃহৎ অৰ্থনীতিৰ পিনে ধাৱমান হৈছে বুলি মন্তব্য কৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্ব আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কুশল প্ৰশাসনত অসমে উল্লেখনীয় প্ৰগতি এতিয়া লাভ কৰিছে। ইপিনে, অনুষ্ঠানটোত আদৰণী ভাষণ আগবঢ়াই প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ চিএমডি ৰিণিকি ভূঞা শৰ্মাই ৰাজ্যবাসীৰ মনৰ কথা প্ৰতিফলিত কৰাই একমাত্ৰ লক্ষ্য বুলি মন্তব্য কৰে। ৰিণিকি ভূঞা শৰ্মাই কয় যে বহু প্ৰত্যাহান আমি পাৰ কৰি আহিছোঁ। তাৰ মাজতো গৌৰৱেৰে আজিৰ অৱস্থাত প্ৰাইড ইষ্ট গ্ৰুপে থিয় দিবলৈ সক্ষম হৈছে। ৰাজ্যবাসীৰ প্ৰতিটো সমস্যাক প্ৰতিফলিত কৰাৰ চেষ্টা আমি কৰিছোঁ। উল্লেখ্য যে এই অনুষ্ঠানটোৰ সৈতে সংগতি ৰাখি প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ বেনাৰত সংযোজিত হয় উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম তথা বাংলা ভাষাৰ নতুন বৈদ্যুতিন মাধ্যম 'নিউজ লাইভ বাংলা'। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু আধ্যাত্মিক গুৰু সদগুৰু জগদীশ বাসুদেৱে নতুন চেনেলটোৰ আনুষ্ঠানিকভাবে শুভাৰম্ভ কৰে। প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ চিএমডি ৰিণিকি ভূঞা শৰ্মাই কয় যে অসমত বসবাস কৰা বাংলাভাষী লোক তথা বৰাক উপত্যকাৰ ৰাইজৰ প্ৰতি লক্ষ্য ৰাখি আজিৰে পৰা নতুনকৈ আমি 'নিউজ লাইভ বাংলা' আৰম্ভ কৰিম। নতুন চেনেলটোৱে ৰাইজৰ সমাদৰ লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইপিনে, অনুষ্ঠানটোত জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত হোৱা বিশিষ্ট শিল্পী দ্বীপেন বৰুৱাই 'নিউজ লাইভ'ক নিজৰ অন্যতম প্ৰিয় চেনেল বুলি কয়। ২০০৭ চনৰ পৰা 'নিউজ লাইভ'ত বহু অনুষ্ঠান পৰিৱেশন কৰা বুলি মন্তব্য কৃৰি শিল্পীগৰাকীয়ে নিজৰ সাংগীতিক যাত্ৰাৰ আৰম্ভণিৰ কিছু কথাও প্ৰকাশ কৰে। তেওঁ কয় যে ১৯৬৮ত বোলছবিত প্ৰথম গীত গাইছিল। গান গাবলৈ কোনোৱে প্ৰেৰণা যোগোৱা নাছিল যদিও ৰেডিঅ'ত মহম্মদ ৰফীকে আদি কৰি বিভিন্ন বিশিষ্ট শিল্পীসকলৰ গীত শুনিয়ে গানবোৰ আওৱাইছিলোঁ। শিল্পীগৰাকীয়ে নিজৰ চমু বক্তব্যৰ মাজতে এটি সুন্দৰ গীতৰ কলিও গুণগুণায়। শিল্পীগৰাকীক বঁটাটোৰ সৈতে এটা ট্ৰফী, প্ৰশস্তি-পত্ৰ, চেলেং চাদৰ, শৰাই আৰু নগদ তিনি লাখ টকাৰ চেক প্ৰদান কৰা হয়। অনুষ্ঠানটোৰ সৈতে সংগতি ৰাখি বিশিষ্ট সাহিত্যিক-সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীলৈ ২০২৪ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ অসমীয়াৰ সন্মান আগবঢ়োৱা হয়। বঁটাটো গ্ৰহণ কৰি প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডক কৃতজ্ঞতা প্ৰকাশ কৰি অনুৰাধা শৰ্মা পুজাৰীয়ে 'নিউজ লাইভ'ৰ ১৭ বছৰীয়া বৰ্ষপূৰ্তি তথা নৰ্থ-ইষ্ট লাইভৰ সপ্তম বাৰ্ষিকীৰ শুভেচ্ছাও জ্ঞাপন কৰে। তেওঁ কয় যে অসমীয়া ভাষাটোৱে মোক দেশ-বিদেশত এক পৰিচয় দিছে। ভাষাটো মোৰ লগত থকা মানে মই যেন মোৰ মাতৃক লগত লৈ ঘূৰি ফুৰিছোঁ তেনে অনুভৱ হয়। দেশ-বিদেশত এতিয়ালৈকে যিখিনি স্বীকৃতি পাইছোঁ সেয়া মোৰ নহয়, মোৰ ভাষা আৰু জাতিটোৰ বাবে সন্মান। উক্ত দিনটো মোৰ বাবে অতি স্মৰণীয় হৈ ৰ'ব। বিশিষ্ট সাহিত্যিকগৰাকীয়ে জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত বিশিষ্ট শিল্পী দ্বীপেন বৰুৱাক অভিনন্দন জ্ঞাপন কৰে। বিশিষ্ট সাহিত্যিকগৰাকীক বঁটাটোৰ সৈতে এটা ট্ৰফী, প্ৰশস্তি-পত্ৰ, চেলেং চাদৰ আৰু নগদ দুই লাখ টকাৰ চেক প্ৰদান কৰা হয়।বৰ্ণিল অনুষ্ঠানটোৰ পাছতে আধ্যাত্মিক গুৰু সদগুৰু জগদীশ বাসুদেৱৰ সৈতে এটি অন্তৰংগ আলাপৰ অনুষ্ঠানো অনুষ্ঠিত কৰা হয়।

# জনতা ভৱনৰ প্ৰৱেশদ্বাৰত স্থাপন হ'ব ড° ভীমৰাও আম্বেদকাৰৰ প্ৰতিমূৰ্তি



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ সংবিধান প্ৰণেতা ড° ভীমৰাও আম্বেদকাৰক সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰশংসনীয় পদক্ষেপ হাতত লৈছে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে। ইয়াকে লৈ সম্প্ৰতি তৎপৰ হৈ পৰা পৰিলক্ষিত হৈছে মন্ত্ৰী পীযূষ হাজৰিকাক। দিছপুৰৰ জনতা ভৱনৰ প্ৰৱেশদ্বাৰৰ কাষত স্থাপন হ'ব ড° ভীমৰাও আম্বেদকাৰৰ প্ৰতিমূৰ্তি। ১৫ আগষ্টৰ ভিতৰত স্থাপন *( নপৃষ্ঠাত চাওক)*

# জাপানী কোম্পানী অসমৰ ছেমিকণ্ডাক্টৰত যোগ দিবলৈ আগ্ৰহী



ৰঙিলী বাৰ্ত্তাসেৱা- জাগীৰোডত নিৰ্মীয়মাণ ২৭ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ অভিলাষী ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি ভাৰতস্থিত জাপানৰ ৰাষ্ট্ৰদূত অ'এনঅ' কেইচিয়ে সংবাদ মাধ্যমৰ আগত কয় আমি আজি ছেমিকণ্ডাক্টৰ প্ৰকল্পটো পৰিদৰ্শনৰ সুযোগ লাভ কৰিছোঁ। জাপানী কোম্পানীসমূহে অসমৰ এই ছেমিকণ্ডাক্টৰ প্ৰকল্পত যোগদানৰ বাবে অত্যন্ত আগ্ৰহী। তেওঁলোকে ৰাজ্য চৰকাৰ আৰু টাটাৰ সৈতে মিলি একেলগে কাম কৰিব বিচাৰে। উল্লেখ্য যে গুৱাহাটীত দুদিনীয়াকৈ অনুষ্ঠিত 'কিজুনা' শীৰ্ষক ভাৰত-জাপান বৌদ্ধিক সন্মিলনৰ পঞ্চম সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ অহা ৰাষ্ট্ৰদূত অ'এনঅ' কেইচি নেতৃত্বাধীন *( নপৃষ্ঠাত চাওক)*

সম্পাদকীয় শিতান...

# অশ্লীল শব্দ 'All Around'



**দেৱাশীষ গোস্বামী, নগাঁও**

আমাৰ সমাজত প্ৰচলিত বিভিন্ন শক্তিশালী (?) অশ্লীল শব্দ সমূহ তথা সেই সমূহৰ অন্তৰ্নিহিত শক্তি সৰ্বজনবিদিত। মুষ্টিমেয় কিছুসংখ্যকক বাদ দি অশ্লীল তথা অতিকৈ শক্তিশালী (?) শব্দ সমূহ আমাৰ সমাজৰ এক অবিচ্ছেদ্য অংগত পৰিণত হৈছে। চেঙেলীয়া, ল'ৰা, আদহীয়া, বুঢ়া, ছোৱালী, বোৱাৰী, বুঢ়ী মুঠতে সকলোৱে মাজত এই অশ্লীল শব্দ সমূহে এক সুকীয়া স্থান দখল ইতিমধ্যে কৰিলে। এই বিশেষ শব্দ সমূহ ব্যৱহাৰ নকৰাকৈ বাৰ্তালাপ কৰিলে আমিবোৰ যেন 'Out-dated', আমিবোৰ যেন দুৰ্বল, আমাৰ উপস্থাপন সমূহ যেন তেনেই নিশকটীয়া, নহয়নে বাৰু? ভাতৰ লগত পানী খোৱাৰ দৰে কিছু সংখ্যকৰ মুখত এই বিশেষ শব্দ সমূহ আখৈ ফুটাদি ফুটে। কৰণাতকৈও ভয়াবহ তথা অতি বেছি সংক্ৰামক এই অশ্লীল শব্দ সমূহ। ৰাজহুৱা স্থানত যেতিয়া এই বিশেষ শব্দসমূহৰ পয়োভৰ ঘটে, 'ফাট মেলা বসুমতী পাতালে লুকাও' দৰে অৱস্থা। এই শব্দসমূহ যেতিয়া ছিটিকি আহি আমাৰ গাত পৰে খঙ, লাজ, অপমানে আবৰি ধৰে।

দম্ভ, অহংকাৰেৰে মত্ত বিপথগামী কিছু সংখ্যকৰ মুখৰ পৰা ওফৰি অহা বিশেষ কিছুমান শব্দই কাণত আঘাট দিয়ে, মন যায় তীব্ৰ প্ৰতিবাদ কৰিবলৈ, মন যায় থেতালি মুখৰ অৱয়ৱ সলাই দিবলৈ। পিছে সাৱলিল ভাষাৰে, মাৰ্জিত ব্যৱহাৰেৰে তথা সু-সংস্কাৰেৰে নিজকে প্ৰতিনিধিত্ব কৰা সকল অপমান, অপ্ৰিতীকৰ পৰিস্থিতিৰ পৰা নিজকে দূৰতে বিদূৰ কৰি ৰখাৰ গত্যন্তৰ নাই। ক্ৰমান্বয়ে অতি জনপ্ৰিয় হৈ উঠা এই ঋণাত্মক, সভ্য সমাজৰ পৰিপন্থী অশ্লীল শব্দ সমূহক যদি শীঘ্ৰেই নাকী লগোৱাৰ ব্যৱস্থা কৰা নাযায়, সু-সংস্কাৰ, মাৰ্জিত ভাষা- ব্যৱহাৰে আমাৰ পৰা অৰ্থাৎ আমাৰ সমাজ ব্যৱস্থাৰ পৰা মেলানি মগাৰ সময় সমাগত। ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ উপায় হ'ল আমি প্ৰত্যেকজন অভিভাৱক, তথা সমাজ সংস্কাৰক সকলে নিজৰ বুনিয়াদ স্বৰূপ ঘৰখনৰ আন্তঃগাঠনি সুদৃঢ় কৰা। কাঁচেৰে নিৰ্মিত ঘৰখনৰ গৰাকীয়ে আনৰ ঘৰলৈ শিল দলিওৱাৰ অভ্যাস নেৰিলে এখন সমাজ তথা নাগৰিক সকল মসৃণ পথেৰে আগুৱাই যোৱাতো অসম্ভৱ।

আজিকালি মানৱ সমাজৰ স্বাৰ্থত যেনেদৰে ধপাঁত মুক্ত, ড্ৰাগছমুক্ত, আদি সংকল্পৰে আমিবোৰ সংকল্পিত, ঠিক তেনেদৰে অশ্লীল শব্দ মুক্ত বুলি নতুন সংকল্প এটাৰে সংকল্পিত হ'ব নোৱাৰোনে? অকনমান গভীৰ ভাবে ভাবি চাব পাৰি নেকি? আমি নিজৰ বাবে নহ'লেও আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে, দেশৰ একো একোজন সুনাগৰিক গঢ়াৰ স্বাৰ্থত।

# মহাকুম্ভমেলাত অমৃত স্নান কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰয়াগৰাজত আয়োজিত মহাকুম্ভমেলা উপলক্ষে ত্ৰিবেণী সংগমত অমৃত স্নান কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। পৰম্পৰাগত নিয়ম অনুযায়ী ত্ৰিবেণী সংগমত অমৃত স্নান কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ত্ৰিবেণী সংগমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডাঠ কমলা ৰঙৰ জেকেট আৰু নীলা ট্ৰাউজাৰ পিন্ধি গংগাত ডুব দিয়ে। ত্ৰিবেণী সংগমত স্নান কৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰী ৰুদ্ৰাক্ষৰ মালা লৈ জপ কৰে আৰু মন্ত্ৰোধ্বনি দিয়ে। ইয়াৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সূৰ্য আৰু গংগা নদীক প্ৰাৰ্থনা জনায়। দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ চলি থকাৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কুম্ভমেলাত অমৃত স্নান কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে। পুৱাৰ ভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰাইল ঘাটৰ পৰা ত্ৰিবেণী সংগমলৈ নাৱেৰে যাত্ৰা কৰে। এই যাত্ৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সংগ দিয়ে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। স্থল-জল আৰু আকাশমাৰ্গত কঠোৰ নিৰাপত্তা বেষ্টনীৰ মাজত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ত্ৰিবেণী সংগমত অমৃত স্নান কৰি দেশবাসীলৈ একতাৰ বাৰ্তা প্ৰেৰণ কৰে।

# বিশ্ব কৰ্কট দিৱস উপলক্ষে হেল্‌থ চিটি হাস্পতালৰ সজাগতা কাৰ্যসূচী




ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ব কৰ্কট দিৱস উপলক্ষে হেল্‌থ চিটি হাস্পতালৰ উদ্যোগত মঙলবাৰে এটা সজাগতা কাৰ্যসূচী গ্ৰহন কৰা হয়। সমগ্ৰ বিশ্ব তথা অসম, উত্তৰ-পূৰ্বাঞ্চলত কৰ্কট ৰোগৰ হাৰ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি হাস্পতালখনৰ উদ্যোগত এটা কৰ্কট ( নপৃষ্ঠাত চাওক)

# ড° হিমন্ত বিশ্ব শৰ্মাক স্মাৰকপত্ৰ প্ৰদান অনুসূচিত জাতি যুৱ পৰিষদৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সচিবালয়ৰ কাৰ্য্যালয়ত অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদ, অসমৰ সভাপতি ৰুবুল দাসৰ নেতৃত্বত প্ৰতিনিধি দলে সাক্ষাৎ কৰি অনুসূচিত জাতি উপ পৰিকল্পনা আঁচনি বাহাল ৰখা, অনুসূচিত জাতি উন্নয়নৰ বাবে বাজেটত ৫ হাজাৰ কোটি টকা নিৰূপণ কৰা, মিছন ভূমিপুত্ৰৰ সংশোধন কৰা, ভুৱা অনুসূচিত জাতিগত প্ৰমাণ পত্ৰ ধাৰীৰ ওপৰত ত্ৰিশ দিনৰ ভিতৰত ব্যৱস্থা ( নপৃষ্ঠাত চাওক)

# সাহিত্য সভাৰ মঞ্চত অপমানিত হ'ল লোকগীতৰ শিল্পী প্ৰণিতা বৈশ্য মেধি



ৰঙিলী বাৰ্ত্তাসেৱা- বিতৰ্কই লগ নেৰা হৈছে অসম সাহিত্য সভাক। বিগত কেইবাবছৰ ধৰি বিভিন্ন ক্ষেত্ৰত বিতৰ্কৰ মাজত সোমাই পৰা অসম সাহিত্য সভাৰ মৰ্যদা যেন দিনক দিনক হ্ৰাস হৈছে। পাঠশালা অধিৱেশনতো একেই ছবি প্ৰতিফলিত হৈছে। দুদিন পূৰ্বে সাহিত্যিকৰ পাছত এইবাৰ সাহিত্য সভাক লৈ ক্ষোভ প্ৰকাশ শিল্পীৰ। সামাজিক মাধ্যমত ক্ষোভ প্ৰকাশ লোকগীতৰ বিশিষ্ট শিল্পী প্ৰণিতা বৈশ্য মেধিৰ। সাহিত্য সভাত গীত পৰিৱেশন কৰিবলৈ গৈ অপমানিত হোৱাৰ অভিযোগ আনিলে শিল্পীগৰাকীয়ে। সামাজিক মাধ্যমত এটা পোষ্ট শ্বেয়াৰ কৰি প্ৰণীতা বৈশ্য মেধীয়ে লিখিছে, "গীত পৰিৱেশন কৰিবলৈ গৈ মঞ্চত অপমানিত হ'লো অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশন (বজালী)ত। যোৱা ৩ ফেব্ৰুৱাৰী ২০২৫ চন, অনুষ্ঠানৰ আৰম্ভণিতে মোৰ প্ৰথম প্ৰগ্ৰেম আছিল। কিন্তু মঞ্চত দ্বিতীয় গীতটো গাই শেষ কৰি তৃতীয় গীত আৰম্ভ কৰোতেই সাংস্কৃতিক কৰ্মী (সোণমণি চৌধুৰী) নামৰ লোক এজনে পিছৰ ফালৰ পৰা আহি অনুষ্ঠান বন্ধ কৰিবলৈ দিয়ে। তেতিয়া মঞ্চত মই খুব দুখ পালো আৰু অপমানিত হ'লো। যিহেতু মোৰ প্ৰথম অনুষ্ঠান আছিল। অন্য শিল্পী বিলাকক যিদৰে সন্মান জনাই, (দহ পৃষ্ঠাত চাওক)

# মিৰ্জাত শোকাবহ পথ দুৰ্ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- পলাশবাৰী আৰক্ষী চকীৰ অন্তৰ্গত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত এল আই চি অফিচৰ সন্মুখত চাইকেল আৰোহীক মহতিয়াই লৈ যায় গোৱালপাৰা অভিমুখী যাত্ৰীবাহী বাছে। দৰাৰ সাজত যাবলৈ সাজু হৈছিল যুৱক জন কইনাৰ ঘৰলৈ যোৱাৰ পৰিৱৰ্তে যাত্ৰা এতিয়া চাৰিখুটিৰ মাজলৈ। বিয়ালৈ মাথোঁ কেইটামান দিন বাকী আছিল নয়ন মনিৰ। পিছে সম্প্ৰতি চাৰি সিকিৰ ঠিকনা হ'ল নয়নৰ। এই শোকাবহ ভয়ংকৰ পথ দুৰ্ঘটনাটো ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত, বৰকুছি এল আই চি অফিচৰ সন্মুখত সংঘটিত হয়। দুৰ্ঘটনাত (দহ পৃষ্ঠাত চাওক)

# দক্ষিণ কামৰূপত মৃত্যুদূতৰূপী ডাম্পাৰৰ তাণ্ডৱ



ৰঙিলী বাৰ্ত্তাসেৱা- আইমাতৃ প্ৰকৃতিৰ বুকু আজি আচুঁৰি প্ৰকৃতি ধ্বংসযজ্ঞৰ আয়োজন। সন্ধিয়া হ'লে বুকু কপি উঠা শিহৰিত দৃশ্য দৃশ্যমান দক্ষিণ কামৰূপ অঞ্চলত। মাটি, বালি, ভূমি, শিলৰ চিণ্ডিকেটৰ ৰম্যভূমি দক্ষিণ কামৰূপ অঞ্চল, নিৰ্বিকাৰ ভূমিকা চৰকাৰৰ, প্ৰশাসনৰ। বৃহত্তৰ দক্ষিণ কামৰূপ অঞ্চল বৰ্তমান মহানগৰীৰ সম্প্ৰসাৰণৰ অন্তৰ্গত পৰিধিত অন্তভুৰ্ক্ত হোৱাটোৱেই অভিশাপ নে আশীৰ্বাদ । এই অঞ্চলৰ চৌপাশে চকু ফুৰালে দেখিবলৈ পোৱা যায় নতুনকৈ নিৰ্মীয়মাণ হৈ থকা বৃহৎ উদ্যোগ-প্ৰতিষ্ঠানৰ বৃহৎকায় নিৰ্মাণকাৰ্য্য। এয়া উন্নয়ন নে প্ৰকৃতিৰ সৃষ্ট পাহাৰ, ভূমি, নদ-নদী, জলাশয়, গছবন, জংঘল ধ্বংস কৰি মানৱজাতিটোক নিশেষ কৰাৰ আয়োজন। দক্ষিণ কামৰূপৰ ৰাইজ আজি অসচেতন, পানীৰ দৰত কৃষিভূমি সমূহ বহিৰাগত বনিক গোষ্ঠীক হস্তগত কৰাৰ ফল এতিয়া সাধাৰণ নিৰীহ শ্ৰেণীয়ে নিজস্ব প্ৰাণ বলিদান দি বিনিময় পৰিশোধ কৰিব লগা হৈছে । দক্ষিণ কামৰূপ অঞ্চলৰ ৰাইজৰ (দহ পৃষ্ঠাত চাওক)

# নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি কেইবাজনো কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- এইবাৰৰ কেন্দ্ৰীয় বাজেটত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ইতিহাস সূচনা কৰি নামৰূপত ১২.৭ লাখ মেট্ৰিকটন উৎপাদন ক্ষমতাৰ ইউৰিয়া প্ৰকল্প ঘোষণাৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমবাসীৰ হৈ নামৰূপত ইউৰিয়া প্ৰকল্প অনুমোদনৰ কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে। এই সন্দৰ্ভত সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই প্ৰকল্পই ৰাজ্যৰ উন্নয়নমূলক যাত্ৰাত এক বৃহৎ পৰিৱৰ্তনৰ সূচনা কৰিব। আগন্তুক এডভান্টেজ আছাম ২.০ আৰু বিশাল ঝুমুৰ প্ৰদৰ্শন সন্দৰ্ভতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা মূল্যৱান নিৰ্দেশনা লাভ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এডভান্টেজ আছাম ২.০ৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমলৈ স্বাগতম জনোৱাৰ ক্ষেত্ৰত অসমবাসীৰ আগ্ৰহ আৰু আনন্দও ভগাই লয় বুলি সামাজিক মাধ্যমত উল্লেখ কৰে। প্ৰধানমন্ত্ৰীক সাক্ষ্যৎ কৰাৰ উপৰিও সোমবাৰৰ দিনটোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণকো সংসদ ভৱনতেই সাক্ষাৎ কৰে। ভাৰতৰ ইতিহাসৰ অন্যতম শ্ৰেষ্ঠ বাজেট উপস্থাপনৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণক অভিনন্দন জ্ঞাপন কৰি কয় যে এই বাজেটে মধ্যবিত্ত আৰু ক্ষুদ্ৰ ব্যৱসায়ক চৰকাৰৰ কাৰ্যসূচীৰ কেন্দ্ৰবিন্দুত ৰাখি অভিনৱত্ব প্ৰদান কৰিছে।



আত্মনিৰ্ভৰ ভাৰতৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে অসমত এক নতুন ইউৰিয়া প্ৰকল্প স্থাপনৰ কথা ঘোষণা কৰাৰ বাবে কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণক ৰাজ্যবাসীৰ হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ধন্যবাদ জনায়। আগন্তুক (দহ পৃষ্ঠাত চাওক)

# বিপিএফৰ পৰা পদত্যাগ কৰিলে উপ-সভাপতি খাম্পা বৰগয়াৰীয়ে




ৰঙিলী বাৰ্ত্তাসেৱা- বিটিচিৰ পৰিষদীয় নিৰ্বাচনৰ প্ৰাকক্ষণত বিপিএফ দলত মোক্ষম আঘাত হানিলে দলৰ উপ সভাপতি খাম্ফা বৰগয়াৰীয়ে। হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফৰ পৰা পদত্যাগ কৰিলে উপ-সভাপতি খাম্পা বৰগয়াৰীয়ে। পৰিষদীয় নিৰ্বাচনৰ পূৰ্বে খাম্পা বৰগয়াৰীৰ পদত্যাগ বিপিএফৰ বাবে মোক্ষম আঘাত বুলি বিবেচিত হৈছে। আনুষ্ঠানিকভাৱে খাম্পা বৰগয়াৰীয়ে বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীলৈ পদত্যাগ-পত্ৰ প্ৰেৰণ কৰিছে। নিজ পদত্যাগ-পত্ৰত খাম্পা বৰগয়াৰীয়ে বিপিএফৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰাৰ কথা সদৰী কৰিছে। তদুপৰি বিপিএফৰ উপ-সভাপতি আৰু মুখপাত্ৰ হিচাপে বিগত ২০টা বছৰে ৰাইজক সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে দলৰ সকলো নেতা-কৰ্মী-শুভাকাংক্ষীলৈ তেওঁ ধন্যবাদ জ্ঞাপন কৰে। তদুপৰি হাগ্ৰামা মহিলাৰীৰ সক্ষম নেতৃত্বত বিপিএফ দলে ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰিব বুলি আশা প্ৰকাশ কৰিছে খাম্পা বৰগয়াৰীয়ে। উল্লেখ্য যে যোৱা লোকসভা নিৰ্বাচনত কোকৰাঝাৰ সমষ্টিৰ পৰা বিপিএফৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচন খেলি পৰাজিত হোৱাৰ পিছৰে পৰা খাম্পা বৰগয়াৰীয়ে দল সলনি কৰিব পাৰে বুলি চৰ্চা হৈছিল। বিগত কেইবামাহ ধৰি অব্যাহত থকা জল্পনা-কল্পনাৰ অন্ত পেলাই অৱশেষত বিপিএফৰ দলৰ পৰা পদত্যাগ কৰে খাম্পা বৰগয়াৰীয়ে। খাম্পা বৰগয়াৰী বিজেপি বা ইউপিপিএল দলত যোগদান কৰিব বুলি চৰ্চা চলিছিল আৰু এই সন্দৰ্ভত দুয়োটা দলৰ স'তে আলোচনাও হৈছিল। কিন্তু বিশেষ সূত্ৰে জানিব পৰা মতে অহা ৭ ফেব্ৰুৱাৰীত খাম্পা বৰগয়াৰীয়ে ইউপিপিএল দলতে যোগদান কৰিব।

# নগদ ধনসহ দিল্লীৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ দুই কৰ্মচাৰী গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বুধবাৰৰ পুৱাৰে পৰা দিল্লীত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ আৰম্ভ হয়। ভোটদান আৰম্ভ হোৱাৰ পূৰ্বে নগদ ধনসহ আটক হ'ল দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীৰ কাৰ্যালয়ৰ দুই বিষয়া। দিল্লীৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা জনোৱা মতে, গ্ৰেপ্তাৰ হোৱা দুই ব্যক্তিৰ পৰা নগদ ৫ লাখ টকা জব্দ কৰা হৈছে। আৰক্ষীয়ে জনোৱা মতে, ধৃত লোকসকল মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ কৰ্মচাৰী। ইয়াৰে এজন মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়কৰ পদত আছে। দ্বিতীয়জন ব্যক্তি হৈছে গাড়ী চালক। দিল্লী আৰক্ষীৰ অতিৰিক্ত আয়ুক্ত ৰবি কুমাৰ সিঙে জনাই যে, গৌৰৱ আৰু অজিত নামৰ দুজন কৰ্মচাৰীয়ে বিপুল পৰিমাণৰ নগদ ধনসহ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত থকাৰ খবৰ পোৱা গৈছিল। এই খবৰ পোৱাৰ পাছতে আৰক্ষীয়ে তালাচী চলাই দুয়োজনকে টকাসহ গ্ৰেপ্তাৰ কৰে।

# তথ্যচিত্ৰ 'দ্য আৰ্টিষ্ট'ৰ পোষ্টাৰ মুকলি




ৰঙিলী বাৰ্ত্তাসেৱা- বহু প্ৰত্যাশিত তথ্যচিত্ৰ "দ্য আৰ্টিষ্ট"ৰ পোষ্টাৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। শিলপুখুৰীৰ পঞ্চৱতী সভাঘৰত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত মুকলি কৰা হয় নৱনিৰ্মিত তথ্যচিত্ৰখনৰ পোষ্টাৰ। এছ এছ ডেকা মিডিয়া এণ্ড এনতাৰটেইনমেন্টৰ বেনাৰত নিৰ্মিত তথ্যচিত্ৰখন প্ৰযোজনা কৰিছে সমীৰণ ডেকা, ৰবীন্দ্ৰ হানমত কাৰ আৰু অনুপ জ্যোতি চৌধুৰীয়ে। সহ-প্ৰযোজক মৃণ্ময় চৌধুৰীৰ আৰু কাৰ্যবাহী প্ৰযোজনা পুনম ভট্টৰ। "দ্য আৰ্টিষ্ট"ত জনজাতীয় সম্প্ৰদায়ৰ চহকী সাংস্কৃতিক নিজৰ লেন্সৰ জৰিয়তে নথিভুক্ত কৰাৰ বাবে ৫০ বছৰতকৈও অধিক সময় উৎসৰ্গা কৰা প্ৰবীণ পোহৰ শিল্পী সমীৰ চৌধুৰীৰ প্ৰেৰণাদায়ক যাত্ৰাৰ ওপৰত নিৰ্মাণ কৰা হৈছে। তথ্যচিত্ৰখনে তেওঁৰ জীৱন, আবেগ আৰু ফটোগ্ৰাফীৰ জগতখনলৈ আগবঢ়োৱা অমূল্য অৱদানৰ এক অন্তৰংগ আভাস আগবঢ়াইছে। পোষ্টাৰ মুকলি অনুষ্ঠানত শিল্প, সংস্কৃতি, সংবাদ মাধ্যমৰ ক্ষেত্ৰৰ কেইবাগৰাকীও উল্লেখযোগ্য ব্যক্তিৰ উপস্থিতি দেখা যায়। এই অনুষ্ঠানৰ আঁত ধৰা আৰু পৰিচালনাৰ দায়িত্ব (দহ পৃষ্ঠাত চাওক)

# দলগাঁৱত শোকাৱহ পথ দুৰ্ঘটনা

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত সংঘটিত হৈছে আন এক ভয়ংকৰ পথ দুৰ্ঘটনা। দৰং জিলাৰ দলগাঁৱৰ শিলবৰীত সংঘটিত হৈ এই ভয়ংকৰ পথ দুৰ্ঘটনাটো।এই শোকাৱহ পথ দুৰ্ঘটনাটোত বাইক আৰোহী স্বামী-স্ত্ৰীৰ কৰুণ মৃত্যু হয়। জানিব পৰা মতে, এ এছ ১৩ এছ-৪৮০৯ নম্বৰৰ বাইকখনেৰে শিলবৰীৰ পৰা দলগাঁও অভিমুখে আহি থকা অৱস্থাত এ এছ ০১ কে চি-১৭২১ নম্বৰৰ মালবাহী ট্ৰাকখনে সন্মুখৰ পৰা খুন্দিওৱাৰ ফলত বাইক আৰোহী মুছলিম উদ্দিনৰ(৩৫) ঘটনাস্থলীতে আৰু তেওঁৰ পত্নী মাজেদা খাতুনৰ চিকিৎসালয়লৈ নিয়া অৱস্থাতে মৃত্যু হয়। বাইকত থকা মুছলিম উদ্দিনৰ কিশোৰ পুত্ৰ মাজম আলী (১৩)আৰু নাতিনী আতিকা বেগম (৭) গুৰুতৰভাৱে আহত হৈছে। নিহত মুছলিম উদ্দিনৰ ঘৰ দলগাঁও থানাৰ অন্তৰ্গত টাকিমাৰী গাঁৱত আৰু পত্নীৰ মাতৃৰ ঘৰ শিলবৰীত। স্বামী-স্ত্ৰীয়ে ল'ৰা আৰু নাতিনীক লৈ শিলবৰীৰ পৰা নিজৰ ঘৰৰ ফালে আহি থকা অৱস্থাতে এই মৰ্মান্তিক ঘটনাটো সংঘটিত হয়। ঘটনাস্থলীত শিলবৰী আৰক্ষী চকীৰ আৰক্ষী আৰু দলগাঁও থানাৰ আৰক্ষী উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰিবলৈ মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# চিনেমাই দিয়া সমৃদ্ধি

জ্যোতি খাটনিয়াৰ




চিনেমাই আমাক জীৱনৰ খবৰ দিয়ে। চিনেমাৰ যোগেদি আমি বিভিন্ন বিষয়ক স্পৰ্শ কৰিব পাৰোঁ। উপন্যাস, বা গল্প বা কবিতাৰ যোগেদি আমি যিমান মানুহক স্পৰ্শ কৰিব পাৰোঁ, চিনেমাৰ যোগেদি তাতকৈ বহু বেছি মানুহলৈ বিভিন্ন ধ্যান-ধাৰণাক আগুৱাই দিব পাৰি। চিনেমাই নিমিষতে মানুহক স্পৰ্শ কৰিব পাৰে। আৰু এই স্পৰ্শ কৰা শক্তিৰ বাবেই চিনেমাই বিভিন্ন বিশ্লেষকৰ মনোযোগ আকৰ্ষণ কৰিছে। ৰাজনৈতিক ভাৱে চিনেমাৰ ব্যাপক ব্যৱহাৰ হৈছে। বহুতৰ মতে মানুহে দুখ পাহৰিব নোৱাৰে। মানুহে দুখ পাহৰিবলৈ চিনেমা চাই। চিনেমাৰ কাম মানুহক দুখী কৰা নহয়। এই ধাৰণাটোৱে বিনোদনধৰ্মী চিনেমাক প্ৰতিফলিত কৰে। কিন্তু চিনেমাৰ যোগেদি জীৱন আৰু জগতৰ পৰিবৰ্তন সাধন যে এটা প্ৰধান কথা হ'ব পাৰে, সেয়া পুঁজিবাদৰ অগ্ৰাসনে আমাক পাহৰাই পেলাব পাৰে। আমাৰ জীৱন আৰু চিন্তাত চিনেমাৰ প্ৰভাৱ আৰু শক্তিয়ে কি কৰিব পাৰে, এই বিষয়ে প্ৰশান্ত কুমাৰ দাসৰ 'সমাজ- চিনেমা- যৌনতা' শীৰ্ষক গ্ৰন্থখনত বিভিন্ন আলোচনা অন্তৰ্ভুক্ত হৈছে। প্ৰশান্ত কুমাৰ দাস নিজে অসমীয়া সাহিত্যৰ এজন আগশাৰীৰ গল্পকাৰ। সেইবাবে, এক সৃষ্টিশীল মনৰ মাজেৰে তেওঁ বহু চিনেমা চাইছে; ইয়াৰ সৈতে জড়িত থকা শক্তিসমূহৰো স্বৰূপক বুজাৰ মানসিকতাক বহন কৰিছে। তেওঁ আলোচনাৰূপে বাচি লোৱা বিষয়ৰ পৰিসৰ অতি বিশাল। তেওঁৰ কলমত এক দায়বদ্ধতাৰ স্পষ্ট ছবি আছে। যাৰ বাবে তেওঁ নিমিষতে মাউন্টেইন পেট্ৰলৰ দৰে চিনেমাৰ কথা ক'ব পাৰে; প্ৰখ্যাত ইৰাণীয় চলচ্চিত্ৰকাৰ কিয়েৰ'ষ্টামি, মঞ্জুল বৰুৱাৰ অন্তৰীণ আদিৰ কথা একেলগে ক'ব পাৰে। তেওঁৰ এই গ্ৰন্থখনত পঢ়ুৱৈয়ে দুটা মৌলিক প্ৰশ্নৰ উত্তৰ বিচাৰি পাব পাৰে। এক. চিনেমাৰ গ্ৰহণযোগ্যতাৰ ভিত্তি কি? দুই. আন শিল্পৰ তুলনাত মানুহ চিনেমাৰ প্ৰতি কৌতূহলী কিয়? তাৰ এটা পোনপটীয়া উত্তৰ লেখক দাসে আমাক দিছে। বাস্তৱ পৃথিৱীৰ মাজৰ পৰা দ্বিতীয় এখন আপাততঃ বাস্তৱ জগতত অৱস্থান কৰাৰ জৰিয়তে মানুহৰ যি মনঃস্তাত্বিক প্ৰক্ৰিয়া ঘটে, সেয়া উপভোগ্য হৈ উঠিব পাৰিছে বাবে চিনেমাৰ অস্তিত্ব বৰ্তি থকাটো সম্ভৱ হৈছে। বিভ্ৰমে কেতিয়াবা মানুহক চমকৃতও কৰে, পৰিতৃপ্তিও দিয়ে। চিনেমা চোৱা আৰু উপন্যাস এখন পঢ়াৰ মাজৰ পাৰ্থক্য লেখক দাসে অতি স্পষ্টকৈ আমাক আগত তুলি ধৰিছে। উপন্যাস এখন পৰি থাকোঁতে পঢ়ুৱৈ এজনে বিভিন্ন ধৰণৰ দৃশ্য কল্পনা কৰিব পাৰে। তেওঁ উপন্যাসৰ পাঠটো (text) নিজেই নৱনিৰ্মাণ কৰিব পাৰে। চিনেমাত সেই সুযোগ নাই। চিনেমাই বাৰে বাৰে নিজৰ পৃথিৱীখনকেই দৰ্শকৰ ওপৰত জাপি দিয়ে। চিনেমাই নিৰ্মাণ কৰা পৃথিৱী এখনত দৰ্শকে সোমাই গৈ একো কৰিব নোৱাৰে। বৰঞ্চ চিনেমাখনেহে দৰ্শকৰ মন মগজুলৈ সোমাই আহি তেওঁক আলোড়িত কৰে। পুঁজিবাদী এই ব্যৱস্থাটোৱে ইয়াক সূক্ষ্মভাৱে উপলব্ধি কৰে। ব্যৱস্থাটোৰ নিজৰ মতাদৰ্শন আৰু খাটি খোৱা জনক বিভিন্ন ধৰণেৰে প্ৰৰোচিত কৰাৰ বাবে চিনেমাক এক শক্তিশালী মাধ্যমৰূপে ব্যৱহাৰ কৰে। প্ৰশান্ত দাসৰ ৰচনা সমূহত চিনেমাৰ সন্মুখত দায়বদ্ধ দৰ্শকৰ ধাৰণাটো বিভিন্ন প্ৰসংগত পঢ়ুৱৈ হিচাপে আমাৰ মনলৈ আহে। চিনেমাক লৈ তেওঁ কেইবাটাও গুৰুত্বপূৰ্ণ কথা আমাক কৈছে। প্ৰথমতে, নিৰ্ভুল বাস্তৱতাক চিনেমাই দৰ্শকৰ বাবে তুলি ধৰিব পাৰে। দ্বিতীয়তে, চিনেমাই কোনো এক নিৰ্দিষ্ট অঞ্চলৰ ভূগোল, ইতিহাস আৰু সমাজ, সংস্কৃতিক দৰ্শকৰ বাবে সংৰক্ষিত কৰি ৰাখিব পাৰে। মানুহৰ জীৱন প্ৰবাহ সম্পৰ্কত চিনেমা বহু কথা কৈ যাব পাৰে। তৃতীয়তে, চিনেমাই আমাক বিশ্ব সমাজৰ সৈতে সংযোগ কৰিব পাৰে। চতুৰ্থতে, চিনেমাই মানৱীয় প্ৰমূল্যবোধক প্ৰগাঢ় কৰে। পঞ্চমতে, জীৱন আৰু জগতৰ সম্পৰ্কে আমাৰ দৃষ্টিভংগীক প্ৰসাৰিত কৰে।

অসমীয়া পঢ়ুৱৈ আৰু চিনেমাৰ দৰ্শকৰ বাবে প্ৰশান্ত কুমাৰ দাসৰ এই গ্ৰন্থখনত অসম, ভাৰত আৰু পৃথিৱীত বিভিন্ন অঞ্চলৰ চিনেমাৰ জগতৰ আলোচনা আৰু খবৰ আছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল এয়ে যে তেওঁ এইবোৰ আলোচনাৰ জৰিয়তে দুটা মৌলিক কথালৈ আমাৰ মনোযোগ আকৰ্ষণ কৰিছে। এক, চিনেমাৰ অন্তৰ্নিহিত শক্তিক বুজি উঠাৰ প্ৰয়োজনীয়তা আৰু পুঁজিবাদী ব্যৱস্থাত চিনেমাৰ দৰে শক্তিশালী মাধ্যম এটা নিৰ্দিষ্ট আদৰ্শৰ প্ৰচাৰত স্থূল বা সূক্ষ্মভাৱে জড়িত হৈ পৰাৰ কথা। দ্বিতীয়তে, চিনেমাৰ জৰিয়তে কিদৰে জীৱন আৰু জগতৰ বাবে প্ৰয়োজনীয় বিষয়সমূহক তুলি আনি তাৰ সৈতে জড়িত প্ৰত্যাহ্বানসমূহক আমি বুজি উঠা; সমাধানৰ প্ৰচেষ্টা আৰু প্ৰক্ৰিয়াৰ জন্ম দিয়াটো।

চিনেমাৰ এক ব্যাপক দাৰ্শনিক পৰিসৰ আছে। শেহতীয়াকৈ চিনেমাৰ সৈতে সম্পৰ্কিত অধ্যয়নে (film studies) এক সুকীয়া বৌদ্ধিক মৰ্যাদা লাভ কৰিছে। ইয়াত আকৌ দুটা ভিন্ন দিশ জড়িত হৈ পৰিছে। প্ৰথম পৰ্যায়ত চিনেমা অধ্যয়নে মানুহৰ অচেতন মনৰ দিশটোক চালি জাৰি চাব খুজিছিল। কিন্তু এতিয়া সচেতনতাৰ স্তৰতেই চিনেমাৰ উপস্থিতিক চাব খোজা যায়। আমি যিমানেই চিঞৰ বাখৰ নকৰোঁ কিয়, চিনেমাৰ অৰ্থ দৰ্শকে প্ৰতিস্থা কৰে। সেইবাবে দৰ্শকক active producer of the meaning বুলি কোৱা হয়। এই কথাত সন্দেহ নাই যে সকলো সৃষ্টিশীল বিষয়ৰ দৰে চিনেমাৰ ঘটনাৰাজীও কাৰোবাৰ মূৰৰ ভিতৰত ঘটি থাকে। নিৰ্দেশক বা পৰিচালক (director) গৰাকীয়ে তেওঁৰ মনৰ মাজৰ কথা বতৰাবোৰক এটা চাক্ষুষ মাধ্যম (visual medium) লৈ আনে। ইয়াৰ সৈতে পৰিচালক গৰাকীৰ স্মৃতি (memories), তেওঁৰ আবেগ অনুভূতি ( passion), দায়বদ্ধ মন ( committed mind ) আৰু সমীক্ষাত্মক দৃষ্টিকোণ (critical thinking) জড়িত হৈ থাকে। তেওঁ দৰ্শকৰ সৈতে চিনেমাৰ যোগেদি এক সংযোগ স্থাপন। এই সংযোগে ভৌগোলিক পৰিসৰ আৰু সময়ৰ সীমাবদ্ধতাক অতিক্ৰম কৰিব পাৰে। ইয়াৰ উদাহৰণস্বৰূপে ইৰাণীয় পৰিচালক কীয়েৰ'ষ্টামিৰ প্ৰসংগটোকেই পুনৰ আনিব পাৰি। তেওঁৰ And Life Goes On (১৯৯৪) চিনেমাখনৰ আধুনিক দাৰ্শনিক চিন্তাত গভীৰ প্ৰভাৱ আছে। আধুনিক দৰ্শনৰ এজন প্ৰভাৱশীল লেখক Jean – Luc Nancy The Evidence of Film নামৰ বিখ্যাত গ্ৰন্থত কিয়েৰ'ষ্টামিৰ চিনেমাসমূহ বিস্তৃতভাৱে আলোচনা কৰিছে। এই প্ৰসংগত তেওঁ মহান দাৰ্শনিক স্পিনোজাৰো উল্লেখ কৰিছে। ফৰাছী দাৰ্শনিক নেন্সিয়ে কব খুজিছে যে কিয়েৰ'ষ্টামিৰ চিনেমাত মানুহৰ অস্তিত্ব কিবা এটা নিৰ্দিষ্ট কথা হৈ থকা নাই। ইয়াত অস্তিত্বৰ প্ৰবাহ আছে। ই কাহিনীভাগৰ মাজেৰে বৈ পৰিছে। কৰবাত এই অস্তিত্ব বৈ গৈছে; ই বিচ্ছিন্নও হৈছে। এই বিচ্ছিন্নতাৰ মাজেৰে ই আকৌ আগলৈ গতি কৰিছে। কিয়েৰ'ষ্টামিৰ চিনেমাত দাৰ্শনিক নেন্সিৰ মতে উপস্থিত থকা বিষয়ৰ প্ৰতি পৰিচালকগৰাকীৰ এক বিশেষ সন্মান আছে। এই সন্মানৰ বাবেই হয়তো ইৰাণীয় দেশৰ পৰিচালক হৈয়ো কিয়েৰ'ষ্টামিয়ে জাপান চৰকাৰৰ আমন্ত্ৰণ ক্ৰমে সেই দেশৰ ছবি নিৰ্মাণ কৰিছে। উল্লেখ্য যে তেওঁ এনে আমন্ত্ৰণ ইউৰোপৰ বিভিন্ন দেশৰ পৰাও লাভ কৰিছিল।

প্ৰশান্ত কুমাৰ দাসৰ ' সমাজ- চিনেমা- যৌনতা' শীৰ্ষক এই গ্ৰন্থত বিভিন্ন বিষয়ৰ সমাগম ঘটিছে। বলিউডৰ চিনেমা, পণ্য ৰূপে নাৰীৰ ব্যৱহাৰ, অসমীয়া চিনেমাৰ সংকট, দৰ্শকৰ চেতনাৰ সমৃদ্ধকৰণ আদিকে ধৰি বিভিন্ন বিষয়ৰ সন্দৰ্ভত তেওঁ সুচিন্তিত মতামত আৰু বিশ্লেষণ আমালৈ আগবঢ়াইছে। অসমীয়া ভাষাত চিনেমা সম্পৰ্কীয় কিতাপ তেনেই তাকৰ। প্ৰশান্ত কুমাৰ দাসৰ এই কিতাপখনে অসমীয়া পঢ়ুৱৈক নতুন চিন্তাৰ খোৰাক দিব। একে সময়তে এজন সংবেদনশীল গল্পকাৰ, সতৰ্ক আৰু ৰুচিবান দৰ্শক হিচাপে প্ৰশান্ত কুমাৰ দাসৰ মনৰ খবৰো আমাক জনাই যাব। চিনেমাৰ বিভিন্ন বিষয় আৰু ইয়াৰ সৈতে জড়িত দৰ্শকৰ সক্ৰিয় হৈ থকা মনটোৰ বিভিন্ন দিশ সম্পৰ্কে এই গ্ৰন্থই আমাক অৱগত কৰাব। আমি আশা কৰিম চিনেমা মানুহৰ অস্তিত্ব বা সত্তাৰ এক স্বাভাৱিক প্ৰকাশ বুলি ভাবিলে, অসমীয়া চিনেমা আকৌ তাৰ সোণালী দিনলৈ উভতি আহিব। অৱশ্যে এই কথা ঠিক যে কিতাপ পঢ়ি চিনেমা চাবলৈ যোৱা দৰ্শক পৃথিৱীত সৰহ নহয়। কিন্তু কিতাপে দৰ্শকৰ মনক এক বিশেষ সমৃদ্ধি প্ৰদান কৰিব পাৰে। চিনেমাই এই সমৃদ্ধিক সন্মান কৰিবলৈ নিশিকিলে আৰু মানুহৰ জীৱনৰ বেদনাক তুলি ধৰিব নোৱাৰিলে চিনেমাৰ অৰ্থ প্ৰাসংগিক হৈ নেথাকে। দৰ্শক আৰু পৰিচালক উভয়ৰ বাবে প্ৰশান্ত কুমাৰ দাসৰ এই সংকলনখনৰ এক তাৎপৰ্য আছে। সুখপাঠ্য এই সংকলনত তত্ত্ব আৰু তথ্যৰ অপ্ৰয়োজনীয় সমাহাৰ নাই। ই মূলতঃ লেখক দাসৰ উপলব্ধি আৰু দৰ্শক হিচাপে তেওঁৰ দীৰ্ঘদিনীয়া যাত্ৰাৰ এক সফল পৰিণতি।

## শীতৰ সৰিয়হফুল



**বন্দনা শৰণীয়া**

সৰিয়হ ফুলৰ সুগন্ধত মই
শীত শীত গোন্ধ এটা পাওঁ।
দীঘলকৈ উশাহ এটা লৈ মই,
হাতখনেৰে বুকুখন সিপাও
আস্... !
শীতৰো যে সুগন্ধ আছে,
সৰিয়হ ফুলে সোঁৱৰায় !
হালধীয়া বুকুত ৰ'দে লিখা
ৰঙা চিঠিখন বতাহতে পঠিয়ায়।
আবেলিৰ ঘনঘোৰতাত
দুনয়ন স্তিমিত হোৱাত
কুঁৱলীৰ ওৰণি টানি শীতে
খোজবোৰ কণামুনাকৈ
য'তে ততে পেলায় ।

# মোৰ কৰ্মজীৱনৰ কিছু অভিজ্ঞতাৰ ডায়েৰী




**প্ৰাণ প্ৰতিমা বড়া, গুৱাহাটী**

এজন আৰক্ষী বিষয়াৰ মহানুভৱতা..

এটা সঁচা ঘটনা । যিটো ঘটনাই হয়তো এটা নিশাত সলনি কৰিব পাৰে মানুহৰ জীৱনৰ গতিপথ। ক্ষন্তেক সময়ৰ ভুল কৰ্মৰ বাবে কাৰোবাৰ জীৱনটো শেষ হৈ যাব পাৰে। দিনকদিনে বাঢ়ি অহা অপৰাধসমূহো বেছিভাগেই নিচাসক্ত দ্ৰব্য সেৱনৰ ফল বুলি ক'ব পাৰি। বিশদিনমানৰ আগৰ এটা ঘটনা। মই অৱশ্যে নিশা অচিনাকি ফোনকল কেতিয়াও ৰিচিভ নকৰোঁ। নিজৰ আপোন মানুহবোৰৰ বাদে। সেই নিশা প্ৰায় মোলৈ কোনোবা অচিনাকি এটা ফোন আহিল। মই গম পাইছিলোঁ যদিও ফোনটো ৰিচিভ কৰা নাছিলোঁ। কেইবাবাৰো সেই নম্বৰটোৰ পৰা ফোন অহা দেখি উপায়ন্ত হৈ মই ফোন ৰিচিভ কৰিলোঁ। সিমূৰৰ পৰা মহিলা কণ্ঠস্বৰ ভাঁহি আহিল। মই অলপ হতভম্ব হ'লোঁ কিয়নো তেখেতে চিঞৰি চিঞৰি ক'বলৈ ধৰিলে- " বাইদেউ আমি বৰ বিপদত পৰিছোঁ, আমাক সহায় কৰক- আমাক সহায় কৰক।" মহিলাগৰাকীৰ মাতটো কঁপি আছিল। মই বাৰুকৈয়ে নাৰ্ভাছ হ'লোঁ ।মই আচৰিত। মই ক'লোঁ এই মাজনিশা মোৰ ঘৰলৈ কোনো আহিব নালাগে। মই কি সহায় কৰিব লাগে মোক কওঁকচোন।

মহিলাগৰাকীয়ে ক'লে- "মই নলবাৰীৰ পৰা কৈছোঁ কিন্তু আপোনাৰ ঘৰৰ ওচৰৰে হয়। পূৰ্বতে আইনী সহায় লবলৈ আপোনাৰ ঘৰলৈ গৈছিলোঁ। কিন্তু এই মুহূৰ্তত আমি বৰ বিপদত পৰিছোঁ। আমাক উদ্ধাৰ কৰক।" মই ক'লোঁ–" আপোনাৰ কি বিপদ হৈছে কওঁকচোন ?" মহিলাগৰাকী অধৈৰ্য্য হৈ ক'লে- " বাইদেউ মোৰ দেউতাক কেইজনমান লোকে লখৰাৰ উৰণীয়া সেঁতুৰ তলত মাৰপিট কৰি আছে । দেউতাৰ এতিয়া বয়স হৈছে, তাতে আকৌ তেওঁ গধুলি হ'লে ৰঙীন পনীয়াৰ সৈতে ৰঙীন হৈ থাকে।"

মহিলাগৰাকীয়ে ঠাইখিনিৰ সবিশেষ জনালে। মই তেখেতক ৫ মিনিট সময় বিচাৰিলোঁ। কিয়নো মাজনিশা তেনেধৰণৰ ফোনকল আহিলে আচৰিত হোৱাটো স্বাভাৱিক কথা। গতিকে মই কিছু সময় ভাবিলোঁ। ভাবি ঘপহকৈ লখৰা থানাৰ এজন আৰক্ষী বিষয়াৰ ফোন নম্বৰটো মোবাইলত বিচাৰিলোঁ। কিয়নো কিছুদিন পূৰ্বে এইখন থানালৈ কেচ এটা সন্দৰ্ভত গৈছিলোঁ। তেতিয়া সেই আৰক্ষী বিষয়াজনৰ ফোন নম্বৰটো চেভ কৰি ৰাখিছিলোঁ। কিন্তু তেখেতৰ নামটো মই পাহৰি গৈছিলোঁ। ফোন নম্বৰটো মই সেই মহিলাগৰাকীলৈ চেয়াৰ কৰিলোঁ। মহিলাগৰাকীয়ে সবিশেষ ঘটনাটো সেই আৰক্ষী বিষয়াজনৰ আগত অৱগত

(আঠপৃষ্ঠাত চাওক)

# Lata Mangeshkar: A Timeless Melody in the Sky of India

**Nikunja Sharma**



The ever- radiant star of India's musical sky, the Goddess of Music, and Bharat Ratna Lata Mangeshkar has left behind an everlasting legacy that will continue to resonate in the hearts of every Indian for eternity. Each of her songs is a priceless gem. On this solemn day, the remembrance of her passing, we pay our deepest respects to the Melody Queen whose voice enriched Assamese music as well.

Today marks the death anniversary of the Nightingale of India, Lata Mangeshkar. On February 6, 2022, the legendary singer bid farewell to this world, leaving behind an unmatched musical legacy that continues to enchant countless listeners and admirers. Born on September 28, 1929, in a Marathi family, Lata Mangeshkar lent her mesmerizing voice to over 30,000 songs in more than 20 languages. Recognizing her immense contribution, the Government of India honored her with the highest civilian award, the Bharat Ratna. On this sacred day of remembrance, we offer our heartfelt tribute to this iconic artist.

My humble tributes to our beloved 'Queen of Melody' Bharat Ratna Lata Mangeshkar Ji on her Punyatithi.

Her unparalleled contribution to Indian cinema and music, which has touched millions of lives, will remain an inspiration for generations to come.

Lata Ji's soul-stirring voice transcended geographical and cultural boundaries, from the banks of the Godavari to the Brahmaputra, captivating every listener with its divine essence. She had a deep affection and admiration for Assam, often expressing her warmth and love for the land and its people. Even beyond Indian and global languages, her renditions in Assamese remain immortal, gifting us an invaluable musical treasure.

In memory of her, a chowk in Ayodhya will be renamed after her, a fitting tribute to a voice that continues to live in the hearts of millions of fans and admirers. She was not just a singer but an inspiration—teaching us the power of a simple way of life, driven by values, passion, and an unrelenting pursuit of excellence.

Humble tribute to the prolific singer, the "Melody Queen of India" Bharat Ratna Lata Mangeshkar Ma'am on her 2nd death anniversary. She was popularly known as "Nightingale of India," "Voice of the Millennium," and "Queen of Melody." She recorded songs in over 36 Indian languages and a few foreign languages, primarily in Marathi, Hindi, and Bengali.

Her global recognition includes being honored as an Officer of the National Order of the Legion of Honour by France in 2007, the country's highest civilian award. She also received 3 National Film Awards, 15 Bengal Film Journalists' Association Awards, 4 Filmfare Best Female Playback Awards (before declining further ones), 2 Filmfare Special Awards, and the Filmfare Lifetime Achievement Award. In 1974, she became the first Indian playback singer to perform at the Royal Albert Hall in London. She even held a Guinness World Record as the most recorded artist in history, later succeeded by her sister, Asha Bhosle.

Her contribution to Indian music spans decades, creating an everlasting impact on society. Her timeless voice, incredibly sweet and soothing, and her soulful renditions evoked deep emotions, forever holding a special place in our culture. She was a legend whose music touched millions of hearts across the globe, leaving a profound impact on people everywhere.

One of her most iconic songs, "Meri Awaaz Hi Pehchaan Hai," moved millions to tears, beautifully summarizing her immortal legacy.




JANASANYOG- 4296/24/9-Feb-25

## অণুগল্প



### মুখ

**উৎপল দাস,বজালী**

"মুখেই শত্ৰু অৰ্জন কৰে আৰু মুখেই মিত্ৰ বৃদ্ধি কৰে। কথাতেই কটা যায় আৰু কথাতেই বঁটাও পায়।" শেষত গৈ এতিয়াহে বুজি পালে তাই। সাঁচকৈয়ে, লাওপাত- কচুপাত মুখখনৰ বাবেই চুবুৰীৰ পৰাও আজি এঘৰীয়া হ'ল তাই।

### ভুলৰ পৰিণাম

**দীপালী শইকীয়া গগৈ, আমগুৰি**

নিজৰ ছোৱালীজনীৰ বিয়াৰ উপযুক্ত বয়স হোৱাৰ পাছতো নিৰ্মল বৰুৱাৰ সেইবোৰৰ প্ৰতি ভ্ৰূক্ষেপ নাই। লিজাই বি এ শ্ৰেণীত নামভৰ্তি কৰা বছৰতে মাকৰ মৃত্যু হোৱাত দেউতাকে পুনৰ বিয়া কৰালে। মাহীমাকে লিজাক নানান অত্যাচাৰ চলায়। দেউতাকৰ মৰমৰ পৰা বঞ্চিত হৈ তাই বাৰীৰ পুখুৰীতে জাঁপ দিলে।

### ভাগ্য

**ডলি ডিম্পল দাস, নগাঁও**

মই অমুক বিষয়ত ১০০ৰ ভিতৰত ১০০ পাইছোঁ, তমুকত আকৌ ৯৫ পাইছোঁ...মোৰ লগত তহঁতে পঢ়াত পাতা নাপাবি গৰু-গাধহঁত বুলি এসময়ত লগৰকেইটাক ঠাট্টা কৰা অলকেশ আজি এম.এ পাছ কৰি ঘৰৰ কাষত এখন সৰু চাহৰ দোকান দি বহি আছে আৰু সি ঠাট্টা কৰা সেই লগৰ গৰু-গাধ কেইটায়েই আজি কোনোবাটো যদি ডাঙৰ ব্যৱসায়ী আকৌ কোনোবাটো ডাঙৰ চাকৰিয়াল....এইটোয়েই হৈছে মানুহৰ ভাগ্য ।

### মাতৃৰ মৰম

**ধীৰেন্দ্ৰ কুমাৰ নাথ**

মাকৰ অসুখ বুলি জানিও স্বভাৱটো তাৰ সলনি নহ'ল।
"মা, দুৱাৰ খোল। মোক ভাত দি- বৰ ভোক লাগিছে।"
" এমুঠিমানহে চাউল আছিল; তাকে ৰান্ধি থৈছোঁ তোৰ বাবে । মোৰ তীৰ কোঁপে জ্বৰ উঠি আছে। নিজে লৈ খা।"

### মল প্ৰেম

**এম এন দত্ত**

প্ৰাতঃ ভ্ৰমনত থকা লোকে লক্ষ্য কৰিলে এটা ডাষ্টবিনৰ কিনাৰত এটা নৱজাত মানৰ শিশুক পহাৰা দি তিনিজনী কুকুৰ বহি আছে। শিশুৰ কান্দোনত প্ৰাতঃ ভ্ৰমনকাৰী ভিৰ লাগিল । সময়ত পুলিচ আহিল শিশুটোক উঠাই হাস্পতাল লৈ গ'ল । আটাইতকৈ আচৰিত কথা সেই কুকুৰ কেইজনী পুলিচৰ গাড়ীৰ পিছে পিছে দৌৰি গৈ হাস্পতাল পাইছিল গৈ এয়াই হয়তো অমল মাতৃৰ প্ৰেম।

### মৰম

**নীলোৎপল শইকীয়া, নগাঁও**

" এই লাহেকৈ...আৰামত"...
অকণমান কোণীয়াকৈ, বেছি লৰচৰ কৰা অযুগুত...
"ইয়ে...অলপ বেকা হ'ল.."
"একো নহয়, লাহে ধীৰে..."
এই হওঁ...এই হওঁ...হ'ল অৱশেষত....
"সাঁচাই, কণমানিজনীৰ নখকেইটা কটাও বৰ যতনৰ কাম কিন্তু.."
এটি মিঠা হাঁহিৰে সুবাসিত হ'ল...

# স্বাধীন দেশৰ নাৰী সকল স্বাধীন নে? ল'ৰা আৰু ছোৱালীৰ মাজত প্ৰভেদ এতিয়াও অভিভাৱকে ৰাখে নে?



**অনামিকা (সংগীতা)কলিতা, গুৰালকুছি**

বিষয়টো গুৰুত্বপূৰ্ণ।

একবিংশ শতিকাত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ যুগত পৃথিৱীৰ গোটেই বোৰ স্বাধীন দেশৰ উন্নতি হৈছে। সকলোৱে নিজৰ স্বাধীনতা উপভোগ কৰিব পাৰিছে। স্বাধীন দেশৰ নাৰী সকলে এতিয়াও স্বাধীনতাৰ পৰা বঞ্চিত। এগৰাকী নাৰী নিজকে সমাজত প্ৰতিষ্ঠা কৰিবলৈ প্ৰথমতে নিজৰ পৰিয়ালৰ সৈতে মুখামুখি হ'ব লগা হয় তাৰ পিচত সমাজত। কম সংখ্যক নাৰীয়ে নিজক প্ৰতিষ্ঠা কৰিবৰ'লৈ পৰিয়ালৰ সহযোগিতা লাভ কৰে। পশ্চিমীয়া দেশবোৰৰ কথা সুকীয়া। এগৰাকী নাৰী মাতৃ, পত্নী, ভগ্নী বিভিন্ন দায়িত্ব পালন কৰিব লৈ গৈ নিজৰ অস্তিত্ব হেৰুৱাই পেলাই কিন্তু তাৰ মাজতে যি সকলে নিজৰ ধৰি ৰাখিবলৈ সক্ষম হ'ব পাৰে তেওঁলোকে অশেষ কষ্ট ত্যাগ কৰিব লগা হয় নিজক প্ৰতিষ্ঠিত কৰিব। তথাপিও নাৰীৰ সকল অনন্যা নিজৰ হৃদয়তে এখন পৃথিৱী কঢ়িয়াই লৈ ফুৰে।

বৰ্তমান যুখত ল'ৰা ছোৱালীৰ মাজত অভিভাৱক সকলে প্ৰভেদ কৰা তেনেকৈ দেখা নাযায় যদিও নুই কৰিব নোৱাৰি। কাৰণ ল'ৰাজন ঘৰৰ পৰা ফুৰিব বা বিভিন্ন সংক্ৰান্তত ওলাই গ'লে আমি অভিভাৱক সকলে কোনো প্ৰশ্ন নকৰো, কিন্তু ছোৱালীজনী যদি ওলাই যায় ক'ত যাব, কেতিয়া আহিব, কিয় যায়? ইত্যাদি বিভিন্ন প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰি তোলে অভিভাৱকে সকলো জানিব বিচাৰে! এয়া পৰিস্থিতি বাধ্য কৰিছে অভিভাৱকক। সিহঁতেও পৰিস্থিতি জানে, বৈষম্য ভাৱও বুজি পায়। বিভিন্ন সংক্ৰান্তত ল'ৰাজনক যেনেদৰে আগবঢ়াত অভিভাৱকৰ প্ৰেৰণা থাকে ছোৱালীৰ ক্ষেত্ৰত অলপ হ'লেও কম হয় সময় সাপেক্ষে। ছোৱালীজনী পঢ়াৰ পৰা আদিলৈকে কিছু অভিভাৱকে হস্তক্ষেপ কৰে কিন্তু ল'ৰাটো সম্পূৰ্ণ স্বাধীনতা পোৱা দেখা যায়।

গতিকে ছোৱালী ! নাৰীৰ ক্ষেত্ৰত স্বাধীনতা ক'ত থাকিল! বৰ্তমান ধৰ্মীয় সমাজ ব্যৱস্থা বা বিভিন্ন ক্ষেত্ৰত হওক আমাৰ নাৰী সকলৰ ওপৰতে সকলো নীতি-নিয়মৰ তালিকাখন অন্তৰ্ভুক্ত হয়, পুৰুষৰ ক্ষেত্ৰত তেনে নহয়। ছোৱালী বোৰেও যথেষ্ট কম্প্ৰমাইজ সৰুৰে পৰা কৰিব লগা হয়। এগৰাকী নাৰী নিশা অকলে অহা সম্ভৱ নহয়। স্বাধীন দেশ হ'লেও নাৰী সুৰক্ষিত নহয় কিন্তু পুৰুষৰ ক্ষেত্ৰত তেনে নহয়।

গতিকে ফঁহিয়াই চালে কেৰোণ বহুত ওলাব । নাৰী স্বাধীন দেশৰ কিন্তু পৰাধীন নাগৰিক।

### মাতৃত্ব

**অনিতা বৰা, নগাঁও**

নিশা খোজকাঢ়ি গৈ থাকোতে হঠাতে মাটিত ঢলি পৰিল। তেনে সময়তে অমলে দেখা পাই লগে লগে ডাক্তৰ চেম্বাৰলৈ লৈ গ'ল। পৰীক্ষাৰ কৰি গম পালে নিশা মাতৃ হ'বলৈ গৈ আছে। ডাক্তৰে অমলক অভিনন্দন দিলে। ইফালে অমলে তেওঁৰ নিজৰ বিয়াৰ বজাৰ কৰিব ওলাই গৈছিল।

## মোৰ কৰ্মজীৱনৰ কিছু

কৰাৰ কিছু সময়ৰ ভিতৰতে এই থানাৰ আৰক্ষীসকলে উক্ত স্থানত উপস্থিত হৈ সেই মানুহজনক উদ্ধাৰ কৰে।

ভাতৃসম আৰক্ষী বিষয়াজনৰ নামটো প্ৰণৱ-জ্যোতি। মহিলাগৰাকীয়ে মোক জনোৱা মতে উক্ত বিষয়াজনৰ সেইনিশা তেখেতৰ ডিউটি নাছিল। কিন্তু মানৱতাৰ খাতিৰত হয়তু তেখেতে এজন মানুহৰ জীৱন বচালে। তেখেতে এজন মানুহৰ জীৱন বচোৱাই নহয় এটা পৰিয়ালক বচালে। গতিকে এই কথাখিনি লিখাৰ এটাই কাৰণ আজিৰ সমাজতো ভাল মানুহ আছে। কিয়নো সেই নিশা তেখেতৰ ডিউটি নাছিল বাবে তেখেতে যদি ফোনটো ৰিচিভ নকৰিলেহেঁতেন তেতিয়া হয়তু সেই নিশাত সেই মানুহজনৰ ডাঙৰ বিপদ হ'লহেঁতেন! কিয়নো মানুহজনৰ কাষত থিয় দিব পৰাকৈ গুৱাহাটীত কোনো নাছিল। কিয়নো মানুহজনৰ ঘৰ নলবাৰীত আছিল। গতিকে এক কথাত ক'বলৈ গ'লে আৰক্ষী বিষয়াজনৰ বাবেই এজন মানুহৰ জীৱন ৰক্ষা পৰাৰ লগতে এটা পৰিয়ালৰো বাচি গ'ল। মানৱতাবোধ আগত ৰাখি কাম কৰা প্ৰতিজন মানুহেই ভাল মানুহ। কিয়নো সকলো মানুহৰে জীৱনত বিপদ আহে। কিন্তু বিপদৰ সময়ত কাৰোবাৰ জীৱন বচোৱাৰ মানসিকতা আগত ৰাখি কাম কৰা প্ৰতিজন মানুহে মহান। তেনেধৰণৰ মানুহৰ সমাজত প্ৰয়োজন আছে। কিয়নো আমি মানুহবোৰ ইমানেই স্বাৰ্থপৰ যে নিজৰ বিপদ এটা আহিলেহে আমি অনুভৱ কৰিব পাৰোঁ, আৰু আনৰ বিপদ দেখি হয়তু আমি আত্মতৃপ্তি লাভ কৰোঁ। আপুনি, মই আমিবোৰেই সমাজ এখন গঢ়িব লাগিব। বেলেগৰ বিপদৰ সময়ত আমি সদভাৱেৰে তেখেতসকলৰ কাষত থিয় দিয়াৰ মানসিকতা গঢ় ল'লে আমাৰ আশে পাশে থকা পৰিৱেশবোৰ কিমান সুন্দৰ হ'ব এবাৰ ভাবকচোন ।

# ৰাজ্যিক বিজেপিৰ মুখ্য

মিঠাই বিতৰণেৰে দিল্লীৰ জয়ক লৈ শুভেচ্ছা জনায় সতীৰ্থ নেতা-কৰ্মীক। ইফালে দিল্লীত বিজেপিৰ এই অভাৱনীয় সাফল্যক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। দিল্লীৰ নিৰ্বাচনী ফলাফল ঘোষণাৰ পাছতে সভাপতি দিলীপ শইকীয়াৰ মন্তব্য- আপৰ দুমুখীয়া চৰিত্ৰৰ বিৰুদ্ধে দিল্লীবাসীৰ এয়া ঐতিহাসিক ৰায়দান। এক বিবৃতিযোগে দিলীপ শইকীয়াই দিল্লী বিধানসভা নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওপৰত আস্থা-বিশ্বাস ৰাখি দিল্লীবাসীয়ে যি ৰায় প্ৰদান কৰিলে, তাৰ বাবে ভোটাৰ ৰাইজক অভিনন্দন জনাইছোঁ। সততে দুৰ্নীতিবিৰোধী কথা কোৱা কেজৰিৱাল চৰকাৰৰ কেইবাজনো মন্ত্ৰী কেলেংকাৰিত লুতুৰি-পুতুৰি হৈ জে'লৰ ভাত খাবলগীয়া হোৱাত আপৰ মুখা সুলকি পৰে। বিয়াগোম সুৰা কেলেংকাৰিত কেজৰিৱাল চৰকাৰৰ কেইবাজনো মন্ত্ৰী-সাংসদ জড়িত হোৱাত আপ চৰকাৰে যে দুৰ্নীতি-ভ্ৰষ্টাচাৰক প্ৰশ্ৰয় দিছিল সেয়াও স্পষ্ট হৈ পৰে। দিল্লীৰ জনতাই এনেকুৱা ভ্ৰষ্টাচাৰত নিমজ্জিত দলক শাসনৰ পৰা বিতাড়িত কৰিলে। দিল্লীৰ বিকাশৰ বাবে বিজেপিৰ যে বিকল্প নাছিল সেয়া দিল্লীৰ জনতাই ভালদৰে বুজি পাইছে। তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি আস্থা আৰু বিশ্বাস স্থাপন কৰাটো আছিল সময়ৰ আহ্বান।

# জনতা ভৱনৰ প্ৰৱেশদ্বাৰত

কৰা হ'ব দেশৰ সংবিধান প্ৰণেতা ড° ভীমৰাও আম্বেদকাৰৰ প্ৰতিমূৰ্তি। সামাজিক মাধ্যমযোগে মন্ত্ৰী পীযূষ হাজৰিকাই এই কথা ঘোষণা কৰে। শেহতীয়াভাৱে ড° ভীমৰাও আম্বেদকাৰক লৈ বিভিন্ন বিতৰ্ক চলি থকাৰ মাজতে আৰু কংগ্ৰেছে দল এই বিষয়ক লৈ বিভিন্ন বিষয়ত চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি থকাৰ সময়তে মন্ত্ৰী পীযূষ হাজৰিকাই ড° ভীমৰাও আম্বেদকাৰৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ কথা ঘোষণা কৰা বিষয়টোৱে যথেষ্ট তাৎপৰ্য বহন কৰিছে। উল্লেখ্য যে দেশৰ সংবিধান প্ৰণেতা ড° ভীমৰাও আম্বেদকাৰক লৈ কিছুদিন পূৰ্বে ৰাজ্যখনত কংগ্ৰেছ দলে বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল। বিজেপি চৰকাৰে সংবিধান প্ৰণেতাকপ্যঁনতমো সন্মান প্ৰদৰ্শন নকৰা বুলি কংগ্ৰেছে সময়ে সময়ে সমালোচনা কৰি আহিছিল। অৱশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো কংগ্ৰেছ দলক ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিছিল। কংগ্ৰেছক নিকৃষ্ট আৰু নিৰ্লজ্জ দল বুলি আখ্যা দি মুখ্যমন্ত্ৰীয়ে যি কংগ্ৰেছ দলে জৰুৰী অৱস্থা আনিছিল, সংবিধানক নিলম্বিত কৰিছিল, গণতন্ত্ৰক ভৰিৰে মোহাৰি হত্যা কৰিছিল, সেই কংগ্ৰেছ দলে সংবিধান লৈ প্ৰতিবাদ কৰাটো শোভা নাপায় বুলি মন্তব্য কৰিছিল। কংগ্ৰেছে ৰাজনৈতিক মুনাফাৰ বাবে আম্বেদকাৰক ব্যৱহাৰ কৰা বুলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অভিযোগ তুলিছিল। আনকি ৭৫ বছৰে শাসনত থাকিও কংগ্ৰেছ দলে আম্বেদকাৰক ভাৰতৰত্ন নিদিয়াত মুখ্যমন্ত্ৰীয়ে ক্ষোভ প্ৰকাশ কৰিছিল। এনে পৰিৱেশৰ মাজতে মন্ত্ৰী পীযূষ হাজৰীকাই জনতা ভৱনৰ প্ৰৱেশদ্বাৰৰ কাযত দেশৰ সংবিধানৰ পিতৃপুৰুষ ড° ভীমৰাও আম্বেদকাৰৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে বৃহস্পতিবাৰে সন্ধিয়া মন্ত্ৰীগৰাকীয়ে লোকনিৰ্মাণ বিভাগৰ সংশ্লিষ্ট বিষয়াসকলৰ সৈতে প্ৰতিমূৰ্তি স্থাপন হ'বলগীয়া উক্ত স্থান পৰিদৰ্শন কৰি গ্ৰহণ কৰিবলগীয়া পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰে।

# বিশ্ব কৰ্কট দিৱস

ৰোগৰ সজাগতা মূলক ৰেলী উলিওৱা হয়। হাস্পতাখনৰ পৰা এই ৰেলী সামদল আৰম্ভ হৈ এক কিলোমিটাৰ বাট অতিক্ৰম কৰি পুনৰ হাস্পতাললৈ উভতি আহে। এই কাৰ্যসূচীত হেল্থ চিটি হাস্পতালৰ কৰ্মচাৰী, বিষয়ববীয়াসকলে কৰ্কটৰোগ প্ৰতিৰোধৰ বাবে বিভিন্ন সজাগতামূলক প্লে-কাৰ্ড লৈ ৰাইজৰ মাজত কৰ্কট ৰোগৰ সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰে। উল্লেখ্য, এই বৰ্ষৰ বিশ্ব কৰ্কট দিৱসৰ থিম হৈছে 'ইউনাইটেড বাই ইউনিক'।

# ড° হিমন্ত বিশ্ব শৰ্মাক

লোৱা, ছাত্ৰ জলপানি নিয়মীয়া কৰা, পদোন্নতিত জেষ্ঠ্যতাৰ ধাৰাবাহিকতা অক্ষুন্ন থকাৰ দাবীত স্মাৰক পত্ৰ প্ৰদান কৰি আলোচনা কৰা হয়। আলোচনা কালত ড° হিমন্ত বিশ্ব শৰ্মাই অতি শীঘ্ৰে পৰিষদৰ প্ৰতিনিধি দলৰ লগত আলোচনা অনুষ্ঠিত কৰি সুমীমাংসা কৰিবলৈ মুখ্য সচিবক তাৎক্ষণিকভাৱে নিৰ্দেশ দিয়া কাৰ্য্যত পৰিষদে সন্তুষ্টি প্ৰকাশ কৰিলে। প্ৰতিনিধি দলটোত কেন্দ্ৰীয় উপসভাপতি জিতু কাকতি, সাধাৰণ সম্পাদক অমৃত প্ৰান দাসো উপস্থিত থাকে।

# আপক উৎখাত কৰি দিল্লী

ৰণত ধৰাশায়ী হয়। ইপিনে আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে নতুন দিল্লীত প্ৰাৰ্থিত্ব আগবঢ়োৱা কংগ্ৰেছ প্ৰাৰ্থী সন্দীপ দীক্ষিত পৰাজিত হোৱাৰ বিপৰীতে কালকাজি সমষ্টিত দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীৰ হাতত পৰাজিত হয় বিজেপিৰ প্ৰাৰ্থী ৰমেশ বিধুৰী। একেৰাহে তৃতীয়বাৰৰ বাবে শাসনৰ গাদীত অধিষ্ঠিত হোৱাৰ লক্ষ্যৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আপক উৎখাত কৰি বিজেপিয়ে নতুন দিল্লী বিধানসভা দখল কৰাৰ পিছতে ৰাজধানী চহৰখনৰ লগতে সমগ্ৰ দেশতে বিজেপি কৰ্মীসকলে উল্লাস প্ৰদৰ্শন কৰে। আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালক পৰাভূত কৰা বিজেপি প্ৰাৰ্থী পাৰভেছ বাৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্ব আৰু জনপ্ৰিয়তাৰ বাবে বিজেপিয়ে এই বিশাল জয় সাব্যস্ত কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰে দিল্লীৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী নিৰ্বাচন কৰা হ'ব। বিজেপিশাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলে বিজেপিৰ এই জয় আপৰ কুশাসন, দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ উপৰি প্ৰধানমন্ত্ৰী মোদীৰ 'যাদু' বুলি আখ্যা দিছে। বিকশিত ভাৰতৰ প্ৰতি লক্ষ্য ৰাখিয়েই দিল্লীবাসীয়ে আপক উৎখাত কৰি পৰিৱৰ্তনৰ বাবে বিজেপিক আঁকোৱালি লৈছে বুলিও বিজেপিৰ শীৰ্ষ নেতৃত্বই প্ৰকাশ কৰিছে। বিজেপিয়ে ২৭ বছৰৰ মূৰকত দিল্লীৰ শাসনৰ গাদীত অধিষ্ঠিত হোৱাৰ বিজয় উৎসৱ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নতুন দিল্লীস্থিত বিজেপি কাৰ্যালয়ৰ পৰা দলীয় কৰ্মীক সম্বোধন কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে বিজেপিয়ে দিল্লী বিজয় কৰাৰ পিছত জনশক্তিয়েই সবাৰে ওপৰত বুলি উল্লেখ কৰি বিকাশ আৰু সুশাসনৰ জয়ী বুলি কয়। আনপিনে দিল্লী বিধানসভা নিৰ্বাচনক লৈ ৰণনীতি প্ৰস্তুত কৰা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে বাৰম্বাৰ ভুৱা প্ৰতিশ্ৰুতিৰে দিল্লীক বিপথে পৰিচালিত কৰিব নোৱাৰি। দিল্লীবাসীয়ে বিষাক্ত যমুনা, বিষাক্ত খোৱাপানী, বিধ্বস্ত ৰাস্তা-ঘাট, কদৰ্যময় নলা-নৰ্দমা আৰু সুৰা বিপণী খোলাৰ বিৰুদ্ধে ওলাই আহি ভোটদান কৰি বিজেপিক জয়লাভ কৰালে। দিল্লী বিজেপিৰ সকলো কৰ্মীক আন্তৰিকতাৰে অভিনন্দন। দিল্লীৰ নিৰ্বাচনত পৰাজিত হোৱাৰ পিছত মুখ্যমন্ত্ৰী আতিশীয়ে এই পৰাজয়ক বিনম্ৰতাৰে স্বীকাৰ কৰি বিজেপিক অভিনন্দন জ্ঞাপন কৰিছে। পৰাজয়ৰ মূল কাৰণসমূহ পৰৱৰ্তী সময়ত আত্মসমালোচনাৰে বিশ্লেষণ কৰা হ'ব বুলিও কয় মুখ্যমন্ত্ৰী আতিশীয়ে। নিৰ্বাচনত কংগ্ৰেছৰ পৰাজয় মানি লৈ শীৰ্ষ নেতা ৰাহুল গান্ধীয়ে কয় যে দিল্লীবাসীৰ অধিকাৰৰ বাবে যুঁজ অব্যাহত থাকিব। দিল্লীবাসীৰ এই ৰায় মানি লৈছোঁ। প্ৰদূষণ, মূল্যবৃদ্ধি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে দিল্লীৰ প্ৰগতি আৰু দিল্লীবাসীৰ অধিকাৰক লৈ যুঁজ দি থাকিব।

# দিল্লীবাসীয়ে আমাক হৃদয় উজাৰি

মোদীক মুখ্য কাৰ্যালয়লৈ আদৰণি জনাই অনাৰ সময়ত 'মোদী মোদী', 'ভাৰত মাতা কি জয়' ধ্বনিৰে মুখৰ হয় চৌপাশ। দলীয় নেতা-কৰ্মীক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীত বিজেপিৰ বিশাল জয়ৰ বাবে দলীয় নেতা-কৰ্মীৰ শ্ৰমক ধন্যবাদ আৰু প্ৰশংসা কৰে। 'যমুনা মাই কি জয়' ধ্বনিৰে ভাষণ আৰম্ভ কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, আজি দিল্লীবাসীয়ে অতি উৎসাহিত আৰু স্বস্তি লাভ কৰিছে। দিল্লীক আপ-দাৰ পৰা মুক্ত কৰাৰ উৎসাহৰ আনন্দৰ ধল বৈছে। দিল্লীবাসীয়ে আমাক হৃদয় উজাৰি আশীৰ্বাদ কৰিছে। এই বিশ্বাসেই ডাবল ইঞ্জিনৰ চৰকাৰ দিলে। ইপিনে পৰাস্ত আপ আৰু কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, দিল্লীবাসীয়ে শ্বৰ্টকাটৰ ৰাজনীতিত শ্বৰ্ট ছাৰ্কিট কৰিলে। বিজেপিৰ জয়ৰ পিছত শাসকীয় আপক 'বেইমান' আখ্যা দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিধানসভাৰ প্ৰথম অধিৱেশনতে কেগৰ প্ৰতিবেদন প্ৰকাশ কৰি দুৰ্নীতিকাৰীক শাস্তিৰ প্ৰতিশ্ৰুতি দিয়ে। ঐতিহাসিক জয়ৰ বাবে দিল্লীবাসীক ধন্যবাদ জ্ঞাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে 'সব কা সাথ, সব কা বিকাশ'ৰ লক্ষ্যৰে আগবাঢ়ি যাব বিজেপিৰ চৰকাৰ। আপক আক্ৰমণৰ লক্ষ্য কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, দিল্লীত আড়ম্বৰ, অৰাজকতা আৰু আপ-দাৰ ৰাজনীতি হাৰি গৈছে। জনাদেশে এয়া স্পষ্ট কৰি দিছে যে ৰাজনীতিত শ্বৰ্টকাট আৰু মিথ্যাচাৰৰ কোনো স্থান নাই। হাৰিয়ানাৰ পিছত মহাৰাষ্ট্ৰত নতুন ইতিহাস গঢ়ি এইবাৰ দিল্লীতো ইতিহাস গঢ়িলে বিজেপিয়ে। দিল্লীৰ মহিলাক ধন্যবাদ জ্ঞাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনৰ কয় যে ওড়িশা, হাৰিয়ানা আৰু মহাৰাষ্ট্ৰত নাৰী শক্তিয়ে আমাক আশীৰ্বাদ কৰিছে। আমি যি প্ৰতিশ্ৰুতি দিছিলোঁ, সেয়া পালন কৰিছোঁ। দিল্লীত দিয়া প্ৰতিশ্ৰুতিও পালন কৰিম। এয়া মোদীৰ গেৰাণ্টী। যমুনাৰ প্ৰসংগত মন্তব্য কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে আমাৰ শাস্ত্ৰত যমুনাৰ পৱিত্ৰৰ কথা আছে। কিন্তু সেই যমুনাকে আপ-দাই অপমান কৰিছে। আমি প্ৰতিশ্ৰুতি দিছোঁ। দিল্লী চহৰৰ নতুন পৰিচয় হৈ উঠিব যমুনা নদীত। আনপিনে কংগ্ৰেছক পৰজীৱী আখ্যা দি নিৰ্বাচনত নিজেই হাৰে আৰু আনকো হৰুৱায় বুলি তুলাধুনা দিয়ে প্ৰধানমন্ত্ৰী মোদীয়ে। কংগ্ৰেছে ৬বাৰ দিল্লীৰ নিৰ্বাচনত খাটা খুলিব পৰা নাই বুলি সমালোচনা কৰি দলটোৱে পৰাজয়ৰ সোণৰ পদক লাভ কৰিছে বুলি কয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। সমগ্ৰ দেশৰ নিৰ্বাচন দেখিলেই কংগ্ৰেছৰ স্থিতি স্পষ্ট হৈ পৰে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে পৰজীৱী দলটোৱে নিজৰ লগতে এটাৰ পিছত এটা সহযোগী দলকো নিঃশেষ কৰি আছে।

# জাপানী কোম্পানী অসমৰ

এটা উচ্চস্তৰীয় দলে জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰে। এই দলটোত বাংলাদেশ দূতাৱাসৰ ডেপুটী চীফ অৱ মিছন তাকাহাছী নাওকীৰ লগতে জাপান চৰকাৰৰ শীৰ্ষস্থানীয় বিষয়াবৰ্গ আৰু দেশখনৰ বহুকেইটা আগশাৰীৰ কোম্পানীৰ প্ৰতিনিধি উপস্থিত আছিল। এডভান্টেজ আছাম ২.০ৰ প্ৰাক্‌ক্ষণত জাপানৰ কোম্পানীসমূহৰ প্ৰতিনিধিবৰ্গ তথা ভাৰতস্থিত ৰাষ্ট্ৰদূতগৰাকীৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিভ্ৰমণ যথেষ্ট গুৰুত্বপূৰ্ণ ৰূপে পৰিগণিত হৈছে। জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পত উপস্থিত হোৱা জাপানৰ কোম্পানীসমূহৰ ভিতৰত জাইকা ইণ্ডিয়া, জেট্ৰ' আহমেদাবাদ, মিটচুবিচি কৰ্প'ৰেচন ইণ্ডিয়া প্ৰাইভেট লিমিটেড, এছবিই ইণ্ডিয়া, জেবিআইচি, এজিচি, পিডব্লিউচি, জেপিআইচি, এবিচিঅ'এন, টকিঅ' ইউনি আৰু মিচুমী অন্যতম। জাগীৰোডৰ ছেমিকাণ্ডক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰাৰ পূৰ্বে এই দলটোৱে নেচনেল বেম্ব' মিছনৰ সহযোগিতাত ক্ষেত্ৰীৰ ডিমৰীয়াত ৫৮৫ হেক্টৰ ভূমিত ৰোপণ কৰা বাঁহ খেতিৰ স্থানো পৰিভ্ৰমণ কৰে। অভিলাষী এই কৃষিকৰ্মৰে জড়িতসকলে সংবাদ মাধ্যমৰ আগত সদৰী কৰা অনুসৰি প্ৰধানতঃ ইথানলৰ প্ৰতি লক্ষ্য ৰাখি ডিমৰীয়াত বাঁহ ৰোপণ কৰা হৈছিল। এতিয়া এই বাঁহ কাটিব পৰাৰ উপযোগী হৈছে। নুমলীগড় শোধনাগাৰৰ তত্বাৱধানত ইথানল উৎপাদনৰ বাবে স্থাপিত অসম বায় ইথানল প্ৰাইভেট লিমিটেডৰ সৈতে ইতিমধ্যে সম্পন্ন হৈছে বাঁহ ক্ৰয়-বিক্ৰয়ৰ এখন চুক্তি। ভাৰতস্থিত জাপানৰ ৰাষ্ট্ৰদূত কেইচি আৰু ৰাষ্ট্ৰখনৰ বাংলাদেশত থকা দূতাৱাসৰ ডেপুটী চীফ অৱ মিছন নাওকীৰ নেতৃত্বত অহা এই উচ্চ পৰ্যায়ৰ দলটোৰ ভ্ৰমণসূচীয়ে অসমৰ অৰ্থনীতিলৈ নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে।

# উজনিত বিপুল জনাসমাগমে আদৰিছে 'মহাৰাজ'ক




ৰঙিলী বাৰ্ত্তাসেৱা- নামনি আৰু মধ্য অসমত ইতিহাস থিয়েটাৰে সৃষ্টি কৰা জনজোৱাৰ উজনিতো অব্যাহত আছে। বিশেষকৈ ইতিহাস থিয়েটাৰৰ চলিত বৰ্ষৰ বহুল জনপ্ৰিয় নাট 'মহাৰাজ' চাবলৈ নগাঁও তথা মৰিগাঁও জিলাৰ প্ৰতিটো স্থানতে নাট্যপ্ৰেমী ৰাইজে হেতা-ওপৰা লগোৱাটো যিকোনো ভ্ৰাম্যমাণ নাট্যদলৰ বাবেই এক শুভ সংকেত। নগাঁও জিলাৰ ৰহা তথা নেহেৰুবালি, কাৰ্বিআংলং জিলাৰ তৰাডুবি, মৰিগাঁও জিলাৰ নাৰায়ণ বজাৰ প্ৰমুখ্যে প্ৰতিটো পেণ্ডেলতে 'মহাৰাজ' চাবলৈ বিয়লি তিনি বজাৰ পৰাই নাট্যপ্ৰেমী দৰ্শকৰ লানি নিছিগা সোঁত বোৱাটো পৰিলক্ষিত হৈছে। সাধাৰণতে উজনিত নামনিৰ তুলনাত ভ্ৰাম্যমাণ নাট্যদলৰ দৰ্শকৰ সংখ্যা সীমিত বুলি যি ধাৰণা প্ৰচলিত আছিল, যোৱা কিছুবছৰৰ পৰা নাট্যপ্ৰেমী দৰ্শকে সেয়া ভুল বুলি প্ৰমাণিত কৰি আহিছে। 'মহাৰাজ'ৰ ক্ষেত্ৰতো তাৰেই পুনৰাবৃত্তি ঘটিল। বহু কেইটা স্থানত নামনিতকৈয়ো 'মহাৰাজ'ৰ দৰ্শকৰ সংখ্যা সৰহ হোৱাটো লক্ষণীয়। 'মহাৰাজ' নাটখন চাই প্ৰেক্ষাগৃহৰ পৰা ওলাই অহা অধিকাংশ দৰ্শকে একেমুখে কৈছে যে- নাটক নহয়, এখন চিনেমা চোৱা যেন লাগিল। চিত্ৰনাট্যৰ থাচত নাট্যকাৰ অভিজিত ভট্টাচাৰ্যই 'মহাৰাজ'ৰ পাণ্ডুলিপি প্ৰস্তুত কৰি যি এটা নতুন ষ্টাইল বা শৈলী ভ্ৰাম্যমাণ থিয়েটাৰত সংযোজন কৰিছে, তালৈ দৰ্শকে বিপুল সহঁাৰি জনাইছে, লগতে 'মহাৰাজ' হৈ পৰিছে ইতিহাস থিয়েটাৰৰ এক পৃথক স্বাদৰ নাটক। উজনিৰ দৰ্শকৰ বাবে এই সোৱাদ আৰু অধিক তৃপ্তিকৰ হৈ উঠাৰ বাবেই ইতিহাস থিয়েটাৰে নগাঁও, মৰিগাঁও, কাৰ্বিআংলং আদি জিলাত বিপুল জনসহঁাৰি লাভ কৰা বুলি কব পাৰি। নাট্যদলটোৱে নগাঁও-মৰিগাঁওৰ পৰাই তেজপুৰ হৈ বিশ্বনাথ চাৰিআলি, গহপুৰ, লক্ষীমপুৰ, মাজুলী, ঢকুৱাখানা, ধেমাজি, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, দেৰগাঁও, গোলাঘাটলৈ ৰাওনা হব। এই স্থান সমূহৰ নাট্যপ্ৰেমী ৰাইজেও 'মহাৰাজ'ক আদৰিবলৈ সৰ্বতোপ্ৰকাৰে সাজু হৈ থকা বুলি বিভিন্ন আহ্বায়ক সমিতিয়ে জনাইছে। 'মহাৰাজ'ৰ মুখ্য চৰিত্ৰত জনপ্ৰিয় তাৰকা যতীন বৰাৰ অভিনয় ৬ বছৰ বিৰতিত দেখিবলৈ পাইছে দৰ্শক ৰাইজে। নিঃসন্দেহে সেয়াও 'মহাৰাজ'ৰ বাণিজ্যিক সাফল্যৰ অন্যতম কাৰণ। লক্ষণীয় যে চলিত নাট্যবৰ্ষৰ দুটাকৈ জনপ্ৰিয় গীত 'আলেঙে আলেঙে.... আৰু 'এখনি ৰুমাল......' 'মহাৰাজ'ৰ অন্য এক সম্পদ। এই গীত দুটাৰ কাৰিকৰী চমক সমৃদ্ধ পৰিৱেশন চাবলৈ প্ৰেক্ষাগৃহৰ দৰ্শকে যি হাৰত আগ্ৰহী হৈ উঠে, সেই পৰিৱেশ সাধাৰণতে ভ্ৰাম্যমাণ থিয়েটাৰত দেখিবলৈ পোৱা নাযায়। 'মহাৰাজ' নাটখনৰ সমান্তৰালকৈ নাট্যদলটোৱে এইবেলি মঞ্চস্থ কৰা 'জুয়ে পোৰা মানুহ' আৰু 'মহাবীৰ লাচিত' নাট দুখনেও সকলো স্থানতে লাভ কৰিছে দৰ্শকৰ বিপুল সমাদৰ। প্ৰতিখন নাটকতে প্ৰাণস্পৰ্শী অভিনয়েৰে দৰ্শকক আমোদ দিবলৈ সক্ষম হৈছে যতীন বৰাৰ উপৰি শৰ্মিষ্ঠা চক্ৰৱৰ্তী, আশা ৰিয়া, সুৰবী কটকী, বিপুল বৰা, চন্দন বৰা, মুহি বৰা, গুঞ্জন চৌধুৰী, চম্পক মেধি, পাৰ্থ কলিতা আৰু মানস শইকীয়াই।

# দক্ষিণ কামৰূপত মৃত্যুদুতৰূপী

অসচেতনতাৰেই যেন সুযোগ লৈ অমানৱীয় কৰ্মৰাজিত ন্যস্ত আসুৰিক মনোবৃত্তিৰ তথাকথিত কিছুমান অৰ্থলোভী দল-সংগঠন, নেতা- পালিনেতা । কি শাসকদল, কিম্বা বিৰোধী দল সকলোৱে এতিয়া ব্যস্ত লুণ্ঠনৰাজ লুটপাটত। নিয়ন্ত্ৰণহীন হৈ পৰিছে দক্ষিণ কামৰূপৰ সমাজব্যৱস্থা। এফালে দুখীয়া- নিছলাৰ কান্দোনৰ আৰ্তনাদ আনহাতে ধনী শ্ৰেণীয়ে কুটিল কুবুদ্ধিৰে অভিসন্ধি ৰচনা কৰি সহজলভ্যে মোকলাই লৈছে ধনসম্পত্তি ঘটাৰ বাটপথ। বিগত সময়চোৱাত বৃহত্তৰ দক্ষিণ কামৰূপ অঞ্চলত মৃত্যুদুত ৰূপী ডাম্পাৰৰ খুন্দাত নিহত হৈছে বহু কেইজন লোক। সন্ধিয়া হ'লে ৰাজপথত এক অঘোষিত প্ৰতিযোগিতাৰ আৰম্ভণি হয় এই মৃত্যুদুতৰূপী ডাম্পাৰ সমূহৰ, ৰজা- মহাৰজাৰ বলত বলীয়ান আইন-কানুন, নীতিনিয়ম উলংঘা কৰি ৰাজপথত চলাই গৈছে তাণ্ডৱ। গৰু-ছাগলী, কুকুৰ-মেকুৰী দৰে মানুহৰ নিথৰ দেহ পৰি ৰৈছে মৃত্যুদুতৰূপী ডাম্পাৰবোৰৰ চকাৰ তলত । কিন্তু ন্যায় নেপায় দুৰ্ভগীয়া অসহায় জনতাই। এই অৰাজকতা, তাণ্ডৱৰ কেতিয়াবা হবনে অৱসান উত্তৰ বিচাৰি দক্ষিণ কামৰূপৰ জনসাধাৰণৰ হাইৰাণ। কি বণবিভাগ, কি চৰকাৰ, আৰক্ষী প্ৰশাসন তথা উচ্চ পদস্থ বিষয়ববীয়া সকলোৱে ব্যৰ্থ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত। দক্ষিণ কামৰূপৰ ৰাইজে যদি মাৰবান্ধি ওলাই নাহে তেতিয়া হ'লে সমূলি বিনাশ হোৱাৰ দিশে দক্ষিণ কামৰূপৰ জাতি, মাটি আৰু ভেটি। অতিশীঘ্ৰে যদি এই অবৈধ বালি, অবৈধশিল, মাটিৰ খননৰ চিণ্ডিকেটৰাজক নাকি লগাব পৰা নাযায় তেতিয়া হ'লে মহাবিনাশ হোৱাতো একপ্ৰকাৰে নিশ্চিত।

# নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

এডভান্টেজ আছাম ২.০ৰ সন্মিলনৰ সামৰণী অধিৱেশনখনত অধ্যক্ষতা কৰিবলৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে হোৱা আলোচনাতে সন্মতি প্ৰদান কৰে। সেইদৰে সোমাবাৰৰ দিনটোতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি ৰাজ্যখনত চলি থকা ৰাষ্ট্ৰীয় পথ প্ৰকল্পক লৈ আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ পথ আন্তঃগাঁথনিকে ধৰি এডভান্টেজ আছাম আদি বিষয়ক লৈ আলোচনা কৰে। এডভান্টেজ আছাম ২.০ৰ বিশেষ অতিথি হিচাপে উপস্থিত থাকি কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে সন্মিলনখনত এছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতক সংযোগ কৰা এক সেতু হিচাপে অসমৰ ভূমিকাৰ ওপৰত আলোকপাত কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে সদৰী কৰে। সেইদৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰে'লৱে, তথ্য আৰু সম্প্ৰচাৰ, ইলেক্ট্ৰনিকছ আৰু তথ্য-প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰে। তেওঁৰ সৈতে হোৱা আলোচনাত এডভান্টেজ আছাম ২.০ৰ অসমত গোলকীয় ছেমিকণ্ডাক্টৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে মন্ত্ৰী বৈষ্ণৱে ৰূপৰেখা নিৰ্ধাৰণ সম্পৰ্কীয় বৈঠকত অংশগ্ৰহণ কৰিব বুলি সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰে। আনহাতে, সোমবাৰৰ দিনটোতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী পীযূষ গোৱেলক সাক্ষাৎ কৰে। পাছত সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এডভান্টেজ আছাম ২.০ৱ বিকশিত ভাৰতৰ দৃষ্টিভংগী কঢ়িয়াই অনাৰ লগতে অসমক বিকাশৰ ইঞ্জিন হিচাপে বিভিন্ন দিশ সম্বন্ধীয় আলোচনাত কেন্দ্ৰীয় মন্ত্ৰী গোৱেলে নেতৃত্ব প্ৰদান কৰিব। সেইদৰে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীকো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাক্ষাৎ কৰে। এই সাক্ষাৎকালত এডভান্টেজ আছাম ২.০ত হাইড্ৰ' কাৰ্বন আৰু শক্তি সম্পৰ্কীয় আলোচনা সভাখনত কেন্দ্ৰীয় মন্ত্ৰী পুৰীয়ে নেতৃত্ব প্ৰদানৰ বাবে সন্মতি প্ৰকাশ কৰে আৰু ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁক কৃতজ্ঞতা জ্ঞাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী পুৰীৰ সৈতে হোৱা দীঘলীয়া আলোচনাকালত অসমৰ তৈল উদ্যোগৰ সম্ভাৱনাৰ বিষয়ৰ ওপৰতো আলোচনা কৰা হয়। আমাৰ যৌথ প্ৰচেষ্টাত এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণে মূল অংশীদাৰসকলৰ মাজৰ সম্পূৰ্ণ সহযোগিতাৰ জৰিয়তে অসমৰ শক্তি-সম্ভাৱনাক বহনক্ষম ব্যৱহাৰ কৰাৰ সক্ষমতা প্ৰদানকাৰী মঞ্চ হিচাপে নিশ্চিত কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই আশা প্ৰকাশ কৰে। একেদৰে যোগাযোগ আৰু ড'নাৰ দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াকো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাক্ষাৎ কৰি এডভান্টেজ আছাম সম্পৰ্কত আলোচনাত মিলিত হয়। এডভান্টেজ আছাম ২.০ৰ সময়ত 'বিকশিত অসমত আই- ৱেজ'ৰ ভূমিকা সম্পৰ্কীয় বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী সিন্ধিয়াই অধ্যক্ষতা কৰিব। এই সন্দৰ্ভত সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই বৈঠকে যোগাযোগ আৰু প্ৰযুক্তি উদ্যোগৰ মূল অংশীদাৰসকলক একত্ৰিত কৰি ৰাজ্যৰ আই- ৱেজ নিৰ্মাণৰ ক্ষেত্ৰত অসমৰ নিৰ্দিষ্ট কৌশল প্ৰণয়ন কৰাত সহায় কৰিব বুলি আমি দৃঢ় বিশ্বাসী।

# সাহিত্য সভাৰ মঞ্চত

কিন্তু মোৰ ক্ষেত্ৰত এখন গামোচাৰ যোগ্য নহ'লো। লোকগীতৰ শিল্পী হোৱা বাবে আমাক অপমানিত কৰিলে নেকি? যদি এনেকুৱা মানসিকতা হয় তেতিয়াহলে আমাক মাতি নি অপমানিত কৰিব নালাগিছিল। মই খুব দুখ পাইছো অন্তৰত, যদি এনেকুৱা মানসিকতা হয় আমি শিল্পীসকল কেনেদৰে জীয়াই থাকিম।" এই পোষ্টৰটোৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ছচিয়েল মিডিয়াতো বিভিন্নজনে সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ বিষয়ববীয়াক সমালোচনা কৰিছে। সাহিত্য সভাৰ মঞ্চত এগৰাকী শিল্পীক এইদৰে অপমান কৰাটো অতি অশোভনীয় বুলি মন্তব্য কৰিছে বহুজনে।

# মিৰ্জাত শোকাবহ পথ

থিতাতে নিহত এজন চাইকেল আৰোহী যুৱক। ঘৰ বৰকুছি গোঁসাই পাৰাত। চাইকেল আৰোহী যুৱক জনক মহটিয়াই নিলে গোৱালপাৰা অভিমুখী যাত্ৰীবাহি বাছে। দুৰ্ঘটনা সংঘটিত কৰা যাত্ৰীবাহি বাছ খনৰ নম্বৰ এচ ০১ আৰ চি ৮৩২৩। সময় দিনৰ প্ৰায় ১ বজাত সংঘটিত হয় এই পথ দুৰ্ঘটনা। বৰকুছি গোঁসাইপাৰা নিবাসী খগেন শৰ্মাৰ পুত্ৰ নয়ন মনি শৰ্মাৰ বিয়ালৈ আছিল মাথোঁ কেইটামান দিন বাকী। পিছে নিয়তিয়ে কাঢ়ি নিলে নয়ন মনিক। পুত্ৰক দৰাৰ সাজত চাবলৈ নাপালে পৰিয়ালে। বিয়াৰ নিমন্ত্ৰণী পত্ৰৰ টোপোলাৰে সৈতে নয়ন গুছি গ'ল অচিন দেশলৈ। মৃত্যুৰ সময়ত নয়নৰ বয়স আছিল ৩০ বছৰ।

# তথ্যচিত্ৰ 'দ্য আৰ্টিষ্ট'ৰ

গ্ৰহণ কৰে অনুপ জ্যোতি চৌধুৰীয়ে তেওঁ কয় যে ফটোগ্ৰাফী আৰু জনজাতীয় নথিপত্ৰৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদানৰ বাবে সমীৰ চৌধুৰীক সম্বৰ্ধনা জনোৱাৰ গৌৰৱ লাভ কৰি আমি আনন্দিত। সমীৰণ ডেকাই পৰিচালনা কৰা 'দ্যা আৰ্টিষ্ট' ছবিখনত আফতাব হুছেইন, গুঞ্জন শৰ্মা, আৰু অলকেশ বুজাৰ বৰুৱাৰ সৈতে চিনেমেট'গ্ৰাফী কৰিছে সমীৰণ ডেকাই। ছবিখনৰ সম্পাদনা ৰমেন বৰাই কৰাৰ বিপৰীতে চাউণ্ড ডিজাইন কৰিছে ৰুক্মাজিৎ বৰুৱাই। সমীৰ চৌধুৰীৰ অসাধাৰণ যাত্ৰাৰ ওপৰত চিন্তা-চৰ্চা, আৰু তেওঁৰ কৰ্মৰ সামূহিক প্ৰশংসাৰে অনুষ্ঠানৰ সামৰণি পৰে, যাৰ ফলত দৰ্শকে ছবিখনৰ আনুষ্ঠানিক মুক্তিৰ বাবে আগ্ৰহেৰে বাট চাই থাকিল।

ENGLISH NEWS SECTION

# Governor Shri Lakshman Prasad Acharya inaugurates 'Bharat Bodh' conclave



Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya inaugurated the three-day Bharat Bodh Conclave, Guwahati Edition, at the Madhavdeva International Auditorium in the city today. The conclave, organized by educational institutions such as JNU, is centered around understanding India's rich civilizational heritage and its contributions to global knowledge. Speaking on the occasion, Governor Shri Acharya highlighted India's timeless legacy as a land of knowledge. "India's knowledge tradition has nurtured the entire world. When the rest of the world wandered in ignorance, India's sages and saints spread the highest form of wisdom, shaping humanity with refined values," he remarked. He expressed his happiness over holding the international seminar namely Bharat Bodh, which focused on exploring the essence of India. Governor Shri Acharya further said that Bharat Bodh is more than just an idea—it is a profound experience and a valuable deliberations encompassing multiple dimensions of India's heritage. He said that the brain storming session of Bharat Bodh would encourage discussions on India's civilization, culture, education, economy, history, science, and much more, thereby providing a holistic view of the nation's intellectual and cultural legacy.

# A delegation from National Defence College calls on Assam Governor



Guwahati,RB News- A delegation comprising 17 officers from the National Defence College (NDC) called on Assam Governor Shri Lakshman Prasad Acharya, at Raj Bhavan. The delegation, part of the year-long course on National Security and Strategic Studies at NDC, included officers from the Indian Armed Forces as well as representatives from friendly foreign nations such as Uzbekistan, Rwanda, Namibia, Malawi, and Israel visited the Raj Bhavan. Welcoming the delegation, the Governor highlighted India's enduring commitment to the ancient philosophy of 'Vasudhaiva Kutumbakam', which translates to "The world is one family." He emphasized that India, as a beacon of 'unity and diversity', has consistently led the way to fostering global harmony and cooperation. Reflecting on the transformative vision of Prime Minister Shri Narendra Modi, the Governor stated that India is progressing steadfastly on the path of development. He underlined that the nation's growth trajectory is deeply rooted in its rich legacy of education, culture, history, and civilizational values, which continue to inspire and guide its people.

# NCC contingent who participated in the Republic Day parade calls on Governor



Guwahati,RB News- The cadets belonging to NER Directorate, representing NCC boys and girls, that participated in the 76th Republic Day celebrations and the PM's rally in New Delhi, called on Assam Governor Shri Lakshman Prasad Acharya at Raj Bhavan here. It may be noted that a contingent totalling 179 of which 89 are from Assam participated in the RDC 2025. Their outstanding performance brought immense pride to the state and the nation. A key highlight of the participation was a song performance titled 'Desh', which was adjudged the Best Song at the Republic Day Camp in Delhi. Congratulating each member of the contingent, Governor Shri Acharya said, "Your participation in this national celebration is not merely an achievement; it is a profound testament to your unwavering discipline, indomitable spirit, and steadfast dedication to the ideals that define our great nation."

# India defeated England by four wickets



RB News- India defeated England by four wickets in the first ODI in Nagpur on Thursday to take a 1-0 lead in the three-match series. India have now beaten England nine times in their last 10 matches at home. India dismissed England for 248 and chased down the target in 38.4 overs. The second ODI will take place in Cuttack on Sunday.

# Pat Cummins, Josh Hazlewood ruled out of Champions Trophy



RB News- Australia captain Pat Cummins and fast bowler Josh Hazlewood have been ruled out of Champions Trophy 2025. Cummins has not recovered from an ankle problem he sustained towards the end of the Border-Gavaskar Trophy Test series, while Hazlewood has developed a hip problem following earlier hip and calf strains. Both fast bowlers will require an extended period of rehabilitation

# অংগীকাৰ

হেৰম্ব নাথ

বিটুক কেৱল ডক্তৰ কলমহে লাগে, অন্য কলম তাৰ পছন্দই নহয়। কাৰণ তাৰ এটা সপোন আছে যে সি ভৱিষ্যতে ডক্তৰ হ'ব। দেউতাকেও পুতেকৰ কথা অমান্য কৰিব নোৱাৰি চাৰিআলিৰ পৰা আনি দিলে হেঁপাহৰ কলমটো। সময়ত যেতিয়া সি মেডিকেল কলেজত আসন লাভ কৰিববৈে সক্ষম হ'ল তেতিয়া সি মনে বিচৰা কলমটো পঢ়া টেবুলৰ সমুখত আটোম-টোকাৰিকৈ সজাই থ'লে। দেউতাকে কথাটো নুবুজাকৈ নাথাকিল যদিও একো নক'লে, কিয়নো বিটুৰ দেউতাক এজন দূৰদৰ্শী আৰু ধৈৰ্যশীল ব্যক্তি তদুপৰি মানুহক মনস্তাত্বিক কথাবোৰ সহজতে বুজি পায়।

উচ্চাকাংক্ষী বিটুৱে পৰিণত বয়সত চিকিৎসা বিজ্ঞানৰ স্নাতক ডিগ্ৰীটো লাভ কৰা খবৰটো পোৱা মাত্ৰকেই দেউতাকে মুখমণ্ডলত এটা সুখৰ হাঁহি লৈ ক'লে- বোপা, ডক্তৰ কলমটোক তই কিয় ইমান ভাল পাইছিলি আৰু টেবুলত যে সজাই থৈছিলি চকুত পৰাকৈ, তেতিয়াই মোৰ এটা অনুভৱ হৈছিল। তই যে এদিন ডক্তৰ হ'বি সেই কথাটো কলমটোৰ প্ৰতি থকা একান্ত ভক্তিৰ পৰাই বুজিব পাৰিছিলোঁ তদুপৰি কলমটোৱে



তোক সোঁৱৰাই দিছিল চাগে ডক্তৰ হ'বলৈ! অ' হয় নেকি দেউতা! এনে বুলি কৈ বিটুৱে দেউতাকক সাৱটি ধৰিলে উলাহতে।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286